সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩১ বছৰ, ০৯ সংখ্যা,১৭ ফাগুন , ৰবিবাৰ,১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 09 Date of Publication-2 March 2025 Rs. 10.00/-

## গৌৰৱ গগৈৰ পত্নীৰ পাকিস্তানৰে সম্পৰ্কৰ তদন্ত কৰিবলৈ দিল্লীত অসম আৰক্ষীৰ দল



ৰঙিলী বাৰ্ত্তাসেৱা- অসম আৰক্ষীৰ বিশেষ অনুসন্ধানকাৰী (এছআইটি) গোটে সাংসদ গৌৰৱ গগৈৰ পত্নী এলিজাবেথ কলবাৰ্ণৰ পাকিস্তানৰে সম্পৰ্কৰ তদন্ত আনুষ্ঠানিকভাৱে আৰম্ভ কৰিছে। তদন্ত প্ৰক্ৰিয়াৰ অংশ হিচাপে এছআইটিৰ এটা তিনিজনীয়া দল নতুন দিল্লীত উপস্থিত হৈছে। মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ আৰক্ষী অধীক্ষক ৰোজী কলিতাৰ নেতৃত্বত যোৱা এছআইটিৰ দলটোৱে নতুন দিল্লীৰ পৰাই এলিজাবেথ কলবাৰ্ণৰ পাকিস্তানৰ সৈতে থকা সংযোগ বিচাৰিব। বিশেষকৈ পাকিস্তানী নাগৰিক তথা চিৰবৈৰী ৰাষ্ট্ৰখনৰ পৰিকল্পনা আয়োগৰ প্ৰাক্তন উপদেষ্টা আলী তৌকিৰ শ্বেখৰ সৈতে তেওঁৰ কেনেধৰণৰ সম্পৰ্ক আছে, তাৰো অনুসন্ধান কৰিব এছআইটিয়ে। নতুন দিল্লী ভ্ৰমণৰ সময়ত আলী তৌকিৰ শ্বেখ আৰু এলিজাবেথ কলবাৰ্ণৰ মাজত কেনেধৰণৰ বাৰ্তালাপ হৈছিল বা আলী তৌকিৰ শ্বেখৰ বেচৰকাৰী সংস্থা ক্লাইমেট ডেভেলপমেন্ট এণ্ড ন'লেজ নেটৱৰ্ক দেশৰ ৰাজধানীত কিধৰণে সক্ৰিয় সেয়াও এছআইটিয়ে অনুসন্ধানৰ আওতালৈ আনিব। ইয়াৰ সমান্তৰালভাৱে এছআইটিয়ে এলিজাবেথ কলবাৰ্ণৰ ভিছা-পাৰপত্ৰকে ধৰি সংশ্লিষ্ট নথি-পত্ৰসমূহ পৰীক্ষা কৰিব বুলিও জানিব পৰা গৈছে। উল্লেখ্য যে শেহতীয়াকৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৰহাটৰ কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ পত্নী এলিজাবেথ কলবাৰ্ণৰ পাকিস্তান তথা চিৰবৈৰী ৰাষ্ট্ৰখনৰ চোৰাংচোৱা সংস্থা আইএছআইৰে সম্পৰ্ক থকাৰ বিস্ফোৰক অভিযোগ উত্থাপন কৰিছিল। অকল সেয়াই নহয়, ৰাজ্যিক কেবিনেটৰ সিদ্ধান্তমৰ্মে যোৱা ১৮ ফেব্ৰুৱাৰীত বেআইনী কাৰ্যকলাপ প্ৰতিৰোধ আইনৰ অধীনত আলী তৌকিৰ শ্বেখৰ বিৰুদ্ধে এটা গোচৰো ৰুজু কৰা হয়। ইতিমধ্যে দেশৰ নিৰাপত্তাৰ বাবে অতি স্পৰ্শকাতৰ ৰূপে চিহ্নিত সমগ্ৰ বিষয়টো তদন্ত কৰিবলৈ অসম আৰক্ষীৰ বিশেষ (দহ পৃষ্ঠাত চাওক)

## বাজপেয়ী ভৱনত আগন্তুক নিৰ্বাচনক লৈ বিজেপিৰ গুৰুত্বপূৰ্ণ বৈঠক



ৰঙিলী বাৰ্ত্তাসেৱা- আগন্তুক পঞ্চায়ত নিৰ্বাচন, স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন আৰু বিটিচি নিৰ্বাচনক লৈ তৎপৰতা আৰম্ভ ৰাজ্যিক বিজেপিৰ। এই লক্ষ্যৰে ৩৯খন জিলাৰ সভাপতি আৰু ৪৩৩টা মণ্ডলৰ সভাপতিক আগত লৈ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় বাজপেয়ী ভৱনত অনুষ্ঠিত হ'ল এক গুৰুত্বপূৰ্ণ বৈঠক। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক বি এল সন্তোষ, ৰাজ্যিক প্ৰভাৰী হৰিশ (দহ পৃষ্ঠাত চাওক)

## এডভান্টেজ আছাম ২.০ৰ সফলতাৰ বাৰ্তা ৰাইজৰ ওচৰলৈ নিয়াৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এডভান্টেজ আছাম ২.০ৰ সফলতা তথা উদ্যোগীকৰণৰ দিশে আগবঢ়া অসমলৈ বিনিয়োগকাৰীয়ে দেখুওৱা আগ্ৰহৰ বাৰ্তাক সাধাৰণ জনতাৰ মাজলৈ নিয়াৰ বাবে বিধায়ক-সাংসদসকলক আহ্বান জনালে। ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত এই উপলক্ষে আয়োজিত এক বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই এডভান্টেজ আছামৰ জৰিয়তে সৃষ্টি হোৱা প্ৰায় ৫ লাখ কোটি টকাৰ বিনিয়োগৰ সম্ভাৱনাই ৰাজ্যৰ অৰ্থনীতিৰ পৰিৱেশ সলনি কৰাই নহয়, এই বিনিয়োগ সন্মিলনে কেনেকৈ অনাগত দিনত অসমৰ ঔদ্যোগিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত প্ৰভাৱ পেলাব সেই সন্দৰ্ভত সাধাৰণ ৰাইজক অৱগত কৰাৰ বাবে বিধায়ক আৰু সাংসদসকলক বিশেষ উদ্যোগ ল'বলৈ পৰামৰ্শ দিয়ে। উল্লেখ্য যে বিধায়ক আৰু সাংসদসকলৰ সৈতে প্ৰতি তিনি মাহৰ মূৰে মূৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই বৈঠক অনুষ্ঠিত কৰি আহিছে। মুখ্যতঃ ৰাজ্য চৰকাৰৰ উন্নয়নমূলক কাম-কাজ তথা আঁচনিসমূহক সৰ্বসাধাৰণৰ ওচৰলৈ নিয়াৰ বাবে বিধায়কসকলে কিধৰণে আগবাঢ়িব সেই সন্দৰ্ভত নিৰ্দেশনা প্ৰেৰণ কৰি আহিছে। বিশেষকৈ ২০২৬ চনৰ বিধানসভা নিৰ্বাচনক লৈ বিধায়ক-সাংসদসকলৰ ভূমিকা কি হ'ব, সেই সন্দৰ্ভত হৈ যোৱা বৈঠকতো মুখ্যমন্ত্ৰীয়ে এলানি নিৰ্দেশ দিছিল। চলিত বৰ্ষৰ ছেপ্টেম্বৰ মাহত বিধায়কসকলে নিজ নিজ সমষ্টিত তেওঁলোকে দিয়া প্ৰতিশ্ৰুতিসমূহ ৰূপায়ণৰ লগতে চৰকাৰৰ (দহ পৃষ্ঠাত চাওক)

## ৰাজ্যত আছে পাঁচ শতাধিক শিক্ষকবিহীন বিদ্যালয়

ৰঙিলী বাৰ্ত্তাসেৱা- অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে ৰাজ্যত শিক্ষকবিহীন বিদ্যালয় সন্দৰ্ভত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শেহতীয়াকৈ অসম বিধানসভাৰ মজিয়াত দাঙি ধৰা তথ্য নাকচ কৰিছে। চানমাৰিস্থিত শিক্ষক ভৱনত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ আহ্বানত তথা গুৱাহাটী মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত আয়োজিত বিশেষ শৈক্ষিক অভিৱৰ্তনত ভাষণ দি শিক্ষক সংগঠনটোৰ প্ৰধান সম্পাদক ৰাতুল গোস্বামীয়ে গুৰুত্বপূৰ্ণ মন্তব্য কৰে। তেওঁ কয় যে শিক্ষামন্ত্ৰীয়ে সদনত মাত্ৰ তিনিখনহে শিক্ষকবিহীন বিদ্যালয় ৰাজ্যত থকা বুলি দিয়া তথ্য সম্পূৰ্ণৰূপে মিছা। কেৱল শিলচৰ আৰু দুধনৈ শিক্ষাখণ্ডতে ৪১খন শিক্ষকবিহীন বিদ্যালয় আছে। যদি অসমৰ আটাইবোৰ শিক্ষাখণ্ডত চোৱা হয় তেন্তে এই সংখ্যা ৫ শতাধিক হ'ব। বৰ্তমানে বিদ্যালয়সমূহত থকা সমস্যাসমূহ শীঘ্ৰে সমাধান কৰিবলৈ তেওঁ চৰকাৰক আহ্বান জনায়। উল্লেখ্য যে বিশেষ শৈক্ষিক অভিবৰ্তনত ৰাজহুৱা শিক্ষা ব্যৱস্থাৰ প্ৰচাৰ আৰু বাস্তৱতাৰ ওপৰত বিশদভাৱে আলোচনা কৰা হয়। বিশেষকৈ বিদ্যালয়সমূহৰ আন্তঃগাঁথনিৰ অভাৱ, বিভিন্ন উৎসৱ পালনৰ নামত হোৱা (দহ পৃষ্ঠাত চাওক)

# আপৰ ৰাজ্যিক ভাৰপ্ৰাপ্ত সভাপতিৰ দায়িত্বত ডাঃ ভবেন চৌধুৰী




ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ আপ, অসমৰ নেতৃত্বত ডাঃ ভবেন চৌধুৰী। দলৰ ৰাজ্যিক উপ সভাপতি সৌমিক সেনগুপ্তৰ সভাপতিত্বত আৰু ৰাষ্ট্ৰীয় নেতা তথা উত্তৰ পূৰ্বাঞ্চলৰ তত্বাৱধায়ক ৰাজেশ শৰ্মাৰ উপস্থিতিত ৰাজ্যিক কাৰ্যনিৰ্বাহক বৈঠকত ডাঃ ভবেন চৌধুৰীক ভাৰপ্ৰাপ্ত সভাপতিৰ দায়িত্ব অৰ্পণ কৰা হয়। উল্লেখ্য যে ব্যক্তিগত অসুবিধাৰ পৰিপ্ৰেক্ষিতত বিগত কিছুদিনৰ পৰা মনোজ ধানোৱাৰে দলীয় কাম কাজৰ পৰা বিৰত আছে। সেয়ে স্থায়ী ৰাজ্যিক সভাপতি নিযুক্ত নোহোৱালৈকে ডাঃ ভৱেন চৌধুৰীক ভাৰপ্ৰাপ্ত সভাপতি হিচাপে দায়িত্ব অৰ্পন কৰা হয়। আনহাতে, আগন্তুক গাঁও পঞ্চায়ত, ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদ, সোণোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ, মিছিং স্বায়ত্ব শাসিত পৰিষদ, তিৱা স্বায়ত্ব শাসিত পৰিষদ আৰু বড়ো স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচনত আম আদমি পাৰ্টী, অসম অৱতীৰ্ণ হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় । এই সম্পৰ্কত ৰাজ্যিক স্তৰত তৎকালে নিৰ্বাচন পৰিচালনা সমিতি গঠন কৰিবলৈ আপৰ ৰাজ্যিক কাৰ্যনিৰ্বাহকে সিদ্ধান্ত গ্ৰহণ কৰে।

## STATEMENT ABOUT OWNERSHIP AND OTHER PARTICULARS ABOUT NEWS-PAPER RONGILI BARTA

**(FORM-IV)**

**RULE**

| | |
|---|---|
| 1. Place of Publication | : A.K.DEV ROAD,House No. 62, Mapara Shitala Mandir Path,Guwahati |
| 2. Periodicity of the Publication | : Weekly |
| 3. Printer Name | : Dr. Uddipta Nayan Medhi |
| Whether citizen of India (If Foreigner, state country of the origin) | Yes |
| Address | : A.K.DEV ROAD,House No. 62, Manpara Shitala Mandir Path, Guwahati-781025 |
| 4. Publisher's Name Address | : Dr. Uddipta Nayan Medhi House No. 62, Manpara Shitala Mandir Path, Guwahati-781025 |
| 5. Editor Name Address | : Dr. Uddipta Nayan Medhi House No. 62, Manpara Shitala Mandir Path, Guwahati-781025 |
| 6. Name and Address of individual who own the newspaper | : Dr. Uddipta Nayan Medhi House No. 62, Manpara Shitala Mandir Path, Guwahati-781025 |

I, Dr. Uddipta Nayan Medhi do hereby declare that the particulars given above are true to the best of my Knowledge and belief.

Dr. Uddipta Nayan Medhi

**Date- 02-03-2025**

Dr. Uddipta Nayan Medhi
Signature of the Publisher

# ষ্টাৰ্টআপ আন্দোলনে ৰাজ্যখনৰ উজ্জ্বল ভৱিষ্যৎ প্ৰতিফলিত কৰিছে ঃ মুখ্যমন্ত্ৰী




ৰঙিলী বাৰ্ত্তাসেৱা- খানাপাৰা পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত ‘এডভান্টেজ আছাম ২.০’ৰ সৈতে সংগতি ৰাখি মুকলি কৰা প্ৰদৰ্শনীখনৰ ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ আৰু বহুৰাষ্ট্ৰীয় প্ৰতিষ্ঠানৰ পেভেলিয়নসমূহ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পৰিদৰ্শন কৰে। এই প্ৰদৰ্শনীখন পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগসমূহৰ উদ্ভাৱনী আৰু সৃষ্টিশীল দক্ষতাৰ ভূয়সী প্ৰশংসা কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ক্ৰেতা আৰু বিক্ৰেতাৰ মাজত সংযোগ বৃদ্ধিৰ ক্ষেত্ৰত প্ৰদৰ্শনীসমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। নতুন যুগৰ উদ্যোগীসকলৰ উদ্ভাৱনক স্বীকৃতি প্ৰদানৰ দিশতো এনে প্ৰদৰ্শনীসমূহে বিশেষ বৰঙণি যোগায় বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ‘এডভান্টেজ আছাম ২.০’ৰ সৈতে সংগতি ৰাখি মুকলি কৰা প্ৰদৰ্শনীখনত পানীমেটেকাৰ পৰা প্ৰস্তুত কৰা সামগ্ৰীৰ পৰা কাঁহ আৰু পিতলৰ পৰা প্ৰস্তুত মূল্য সংযোজিত অভিনৱ সামগ্ৰী, ৰাজ্যখনৰ চহকী ঐতিহ্যক প্ৰতিফলিত কৰা মুগাৰ পৰা প্ৰস্তুত আ-অলংকাৰ আদিয়ে ক্ৰেতাৰ মন জয় কৰিবলৈ সক্ষম হৈছে। ৰাজ্যৰ নতুন প্ৰজন্মৰ উদ্যোগীসকলৰ উদ্ভাৱনী দক্ষতাই তেওঁক অভিভূত কৰা বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰদৰ্শনীখনত অংশগ্ৰহণৰ জৰিয়তে ৰাজ্যৰ বহু যুৱ উদ্যমীয়ে ‘এডভান্টেজ আছাম ২.০’ সন্মিলনত অংশগ্ৰহণ কৰা বহিঃৰাষ্ট্ৰৰ প্ৰতিনিধিসকলৰো দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° শৰ্মাই এই প্ৰদৰ্শনীখনৰ ‘অসম- অতীত, বৰ্তমান আৰু ভৱিষ্যৎ’ শীৰ্ষক পেভেলিয়নত অংশগ্ৰহণ কৰা ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ অগ্ৰণী প্ৰতিষ্ঠানসমূহৰ বীথিকাসমূহ (দহ পৃষ্ঠাত চাওক)

# ৰাণীত অনলাইন ট্ৰেডিংৰ নামত সাধাৰণ ৰাইজক লুণ্ঠন



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী মহানগৰীৰ সমীপৱৰ্তী দাঁতিকাষৰীয়া দক্ষিন কামৰূপৰ ৰানীত সংঘটিত হৈছে অনলাইন ট্ৰেডিংৰ নামত প্ৰৱঞ্চনা । দক্ষিণ কামৰূপত শেহতীয়াকৈ ফাদিল হোৱা টাইটান কেপিটেল নামৰ অনলাইন ট্ৰেডিং কোম্পানীৰ প্ৰৱঞ্চনাৰ ঘটনা আৰু উপৰহালীৰ ৰিল ইণ্ডিয়া নামৰ অনলাইন মাৰ্কেটিং কোম্পানীৰ কেলেংকাৰীৰ ঘটনা মাৰ নাজাওতেই, এইবাৰ দক্ষিণ কামৰূপৰ ৰাণীত অনলাইন ট্ৰেডিংৰ প্ৰৱঞ্চনাৰ জাল ফাদিল হৈছে। বহিৰাগত অনলাইন মাৰ্কেটিঙ আৰু ট্ৰেডিং (দহ পৃষ্ঠাত চাওক)

# বংশৰ ভৃংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰ ৫ম শ্ৰেণীৰ বিদায় সভা



ৰঙিলী বাৰ্তাসেৱা- হাজো খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ অধীনস্থ বংশৰ মণ্ডল সমল কেন্দ্ৰৰ বংশৰ ভৃংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ত ৫ম শ্ৰেণীৰ ছাত্ৰ -ছাত্ৰীৰ বিদায়ী সভাখন অনুষ্ঠিত হয়। বংশৰ ভৃংগেশ্বৰ প্ৰাথমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি কন্দৰ্প বৈশ্যৰ সভাপতিত্বত সভাখন অনুষ্ঠিত হয়। প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক ইন্দ্ৰ কান্ত বৈশ্যই কয় যে ছাত্ৰ -ছাত্ৰীৰ সৰ্বাংগীন বিকাশৰ বিভিন্ন দিশৰ ওপৰত বক্তৃতা আগবঢ়ায় আৰু ভৱিষ্যতে একো একোজন সুনাগৰিক হ'বলৈ বিশেষ ভাৱে পঞ্চম শ্ৰেণীৰ ২০ গৰাকী ক আহ্বান জনায়। বিদায়ী সভাখনত সহঃ শিক্ষক জিতুমণি বৈশ্য, মলয়া দাস, ডলী ডেকা আৰু বিজয়া দাস ভড়ালী য়ে ছাত্ৰ -ছাত্ৰীৰ ভৱিষ্যত উদ্দেশ্যি সুন্দৰ ভাষণ ৰাখে। পঞ্চম শ্ৰেণীৰ ছাত্ৰ -ছাত্ৰী সকলে শিক্ষা গুৰুসকলক সেৱা জনায় আৰু আশীৰ্বাদ লয়।

# ৰাইজৰ দলৰ সংবাদ মেল




ৰঙিলী বাৰ্তাসেৱা- ৰাইজৰ দলৰ মঠঘৰিয়াস্থিত কেন্দ্ৰীয় কাৰ্য্যালয়ত দলৰ সম্পাদক ৰাছেল হুছেইন আৰু চিন্ময় বৰাই এখন সংবাদ মেল সম্বোধন কৰে। সংবাদ মেলত তেওঁলোকে উল্লেখ কৰে যে, বিহুৰ বিশ্ব অভিলেখৰ সময়ত অস্থায়ী মঞ্চ আৰু পেণ্ডেল নিৰ্মাণত এক ভয়ংকৰ কেলেংকাৰী সংঘটিত হৈছিল। মুঠ ১২ কোটি ৬৮ লাখ টকাৰ কেলেংকাৰী সংঘটিত হৈছে। বিহু অনুষ্ঠান হৈ যোৱাৰ ৫ মাহ ১৭ দিনৰ পাছতহে দিয়া হৈছিল ৱৰ্ক অৰ্ডাৰ। নীতি বৰ্হিভূত ভাৱে 'কী কী' খ্যাত ভুপিন্দৰ পাল সিং, গুলজাছ সিং, কমলজিৎ সিংক দিয়া হৈছিল ঠিকাদাৰৰ কাম। লোকনিৰ্মান বিভাগে দিছিল ১২, ৬৮ কোটি টকাৰ নিবিদা। বিহু অনুষ্ঠিত হৈছিল ২০২৩ চনৰ ১৪ এপ্ৰিলত আৰু নিবিদা দিয়া হৈছিল ২০২৩ চনৰ ছেপ্টেম্বৰ মাহত। ৫ মাহৰ পাছত কেনেকৈ নিবিদা দিয়া হৈছে বুলি তেওঁলোকে প্ৰশ্ন কৰে। এখন চোফাৰ বাবত ভাড়া দিয়া হৈছিল ৩ লাখ টকা। ৬ খন চোফাৰ নামত ১৭লাখ ৯২ হাজাৰ টকা খৰচ কৰা হৈছে। ৰেড কাৰ্পেটৰ নামত খৰছ কৰা হৈছে ২০ লাখৰো অধিক টকা। একেটা ঘৰৰ ৩ জন মানুহক ঠিকা প্ৰদান কৰা হৈছে। আৰু এই অনিয়মৰ জৰিয়তে ৰাজকোষৰ ১২.৬৮ কোটি টকা লুণ্ঠন কৰা হৈছে। সাহস আছে যদি মুখ্যমন্ত্ৰীক এই কেলেংকাৰী বোৰৰ উত্তৰ দিবলৈ আহ্বান জনায়। আকৌ এতিয়াও এই তিনিটা কোম্পানীকে ঝুমুৰ আৰু এডভান্টেজ আছামৰ দায়িত্ব দিয়া হৈছে বুলি তেওঁলোকে উল্লেখ কৰে।

# পথ দুৰ্ঘটনাত প্ৰাণ হেৰুৱালে ঘগ্ৰাপাৰ থানাৰ OC বিৰিঞ্চি দাসে



ৰঙিলী বাৰ্তাসেৱা- নিশাৰ মহানগৰীত ভয়ংকৰ পথ দুৰ্ঘটনা।এই ভয়ংকৰ পথ দুৰ্ঘটনাত প্ৰাণ গ'ল এগৰাকী আৰক্ষী বিষয়াৰ। মহাশিৱৰাত্ৰিৰ নিশা গুৱাহাটী মহানগৰীৰ লালমাটিত এই ভয়ংকৰ পথ দুৰ্ঘটনাটো সংঘটিত হয়। জানিব পৰা মতে, তীব্ৰবেগী এখন চুইফট বাহনে মহতিয়াই নিয়ে এজন স্কুটী চালকক। এই স্কুটীখনে চলাই আছিল আৰক্ষী বিষয়াগৰাকীয়ে। যাৰ ফলত তেওঁৰ থিতাতে মৃত্যু হয়। দুৰ্ঘটনাত মৃত্যু হোৱা লোকজন ঘগ্ৰাপাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী (OC) বিষয়া বিৰিঞ্চি দাস। জানিব পৰা মতে, নিশা ভেটাপাৰাৰ পৰা স্কুটীৰে গৈ আছিল বিৰিঞ্চি দাস। তেতিয়াই লালমাটিৰ গেম ভিলেজৰ সন্মুখত ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হ'ব লওতেই তীব্ৰবেগী এখন চুইফট বাহনে তেওঁক খুন্দা মাৰে। যাৰ ফলত স্কুটীখন চূৰ্ণ বিচূৰ্ণ হৈ *(নপৃষ্ঠাত চাওক)*

# অসমত বৃহৎ আন্তঃগাঁথনি নিৰ্মাণৰ ঘোষণা কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীৰ



ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটীত অনুষ্ঠিত 'এডভান্টেজ আছাম ২.০' শীৰ্ষক বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ অংশ হিচাপে আয়োজিত অসমৰ স্থলপথ, ৰে'লপথ আৰু জলপথ: আছিয়ান দেশ আৰু উত্তৰ-পূবৰ ৰাজ্যসমূহৰ বিকাশৰ দিশত ভাৰতৰ এক্সপ্ৰেছৱে শীৰ্ষক এক উচ্চ পৰ্যায়ৰ সন্মিলনত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীয়ে এক বিশেষ ভিডিঅ' বাৰ্তাযোগে অংশগ্ৰহণ কৰে। ভিডিঅ' বাৰ্তাটোত কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে ৫৫ হাজাৰ ১৭৯ কোটি টকাৰ অসমকেন্দ্ৰিক কেইবাটাও গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিমূলক প্ৰকল্পৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত ৫, ৮০০ কোটি টকা ব্যয়সাপেক্ষ গুৱাহাটী ৰিং ৰোড প্ৰকল্প, ২৫ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ গুৱাহাটী-পঞ্চগ্ৰাম পথ প্ৰকল্প, ৬ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ কাজিৰঙা এলিভেটেড কৰিড'ৰ, প্ৰায় ১৫ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ আৰু ৰচ কিলোমিটাৰ দৈৰ্ঘ্যৰ গহপুৰ-নুমলীগড় সুৰংগ প্ৰকল্প, ভৈৰৱকুণ্ড হৈ জাগীৰোড আৰু ভুটান সংযোগী ৩, ২২৫ কোটি টকা ব্যয়সাপেক্ষ এটা নতুন পথ আৰু কামাখ্যা ৰোপ ৱে' প্ৰকল্প অন্যতম। কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰকাশ কৰা অনুসৰি অনাগত দিনত অসমত তিনি লাখ কোটিৰো অধিক টকাৰে পথ পৰিবহণ খণ্ডত কাম আৰম্ভ হ'ব। বৰ্তমান ৰাজ্যখনত ৬০ হাজাৰ কোটি টকাৰ কাম চলি আছে। গুৱাহাটী ৰিং ৰোড নিৰ্মাণৰ কাম ২০২৭ৰ ডিচেম্বৰৰ ভিতৰত সম্পূৰ্ণ হ'ব। নাৰেংগী-বন্ধকুৰা সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰত তিনি কিঃমিঃ দৈৰ্ঘ্যৰ ছয়লেনযুক্ত দলংখনৰ *(নপৃষ্ঠাত চাওক)*

# স্বাস্থ্যখণ্ডত বিনিয়োগ সম্পৰ্কত জনতা ভৱনত ইণ্ডিয়ান এছোচিয়েশ্যন অব্ জাপানৰ প্ৰতিনিধি দলৰে বৈঠক স্বাস্থ্যমন্ত্ৰী অশোক সিংহলৰ

ৰঙিলী বাৰ্তাসেৱা- ইণ্ডিয়ান এছোচিয়েশ্যন অব জাপানৰ এক প্ৰতিনিধি দলে জনতা ভৱনত স্বাস্থ্যমন্ত্ৰী অশোক সিংহলক সাক্ষাৎ কৰি এক বৈঠকত মিলিত হয়। এই সৌহাৰ্দ্যপূৰ্ণ বৈঠকত প্ৰতিনিধি দলটোৱে অসমত বিনিয়োগৰ বাবে বিভিন্ন প্ৰস্তাৱ উপস্থাপন কৰে। অন্যান্য খণ্ডসমূহৰ লগতে স্বাস্থ্যখণ্ডত বিনিয়োগৰ বিষয়ে আজিৰ বৈঠকত প্ৰধানকৈ আলোচনা হয়। ভাৰতবৰ্ষ আৰু বিশেষকৈ অসমত ক্ৰমবৰ্ধমান অসংক্ৰামক ৰোগ নিয়ন্ত্ৰণত জাপানে কেনেদৰে সহায় কৰিব পাৰে, সেইবিষয়েও বৈঠকত আলোচনা কৰা হয়। বৈঠকৰ পাছতে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত স্বাস্থ্যমন্ত্ৰী সিংহলে কয় যে আজিৰ আলোচনাত অসমৰ স্বাস্থ্য আন্তঃগাঁথনি, গোটা আৱৰ্জনা ব্যৱস্থাপনা আদি ক্ষেত্ৰত জাপানৰ প্ৰতিনিধি দলটোৱে বিনিয়োগৰ ইচ্ছা প্ৰকাশ কৰে আৰু সেই সন্দৰ্ভত প্ৰধানকৈ আলোচনা হয়। এই আলোচনাক অধিক গতি দিবলৈ পৰৱৰ্তী সময়ত অসমৰ এক প্ৰতিনিধি দলেও জাপান ভ্ৰমণ কৰিব বুলি জানিবলৈ দি তেওঁ কয় যে এডভান্টেজ আছামৰ সুফলস্বৰূপে তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমত সম্ভৱ হোৱা অভূতপূৰ্ব বিনিয়োগ অনুকূল পৰিৱেশে অনাগত দিনত ৰাজ্যখনলৈ যে অধিকসংখ্যক বিদেশী বিনিয়োগকাৰীক



আকৰ্ষিত কৰিব, আজিৰ বৈঠকে তাৰেই ইংগিত বহন কৰিলে।

# সফলতাৰে সামৰণি পৰিল এডভাণ্টেজ অসম ২.০ সন্মিলন



ৰঙিলী বাৰ্ত্তাসেৱা- বুধবাৰে সন্ধিয়া সফলতাৰে সামৰণি পৰিল এডভাণ্টেজ অসম ২.০ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত হৈ যোৱা এডভাণ্টেজ অসম ২.০ ত আদানী-আম্বানীৰ পৰা আৰম্ভ কৰি ৭৫খন দেশৰ প্ৰতিনিধি, ৬৭খন ৰাষ্ট্ৰৰ হেডছ অৱ মিছন, ৯খনকৈ সহযোগী ৰাষ্ট্ৰৰ অংশগ্ৰহণ আৰু দেশ-বিদেশৰ আগশাৰীৰ উদ্যোগপতিৰ উপস্থিতিত অনুষ্ঠিত এই বৃহৎ সন্মিলনত ৪, ৯১, ৫০০ কোটি টকাৰ অভিলেখ বিনিয়োগ ঘটে। বিনিয়োগ আৰু আন্তঃগাঁথনি শিতানত এই বৃহৎ পৰিমাণৰ বিনিয়োগ হৈছে। সামৰণী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাষণত কয় যে এই বিনিয়োগৰ পৰিমাণ আৰু অধিক বৃদ্ধি পাব। দুই-তিনি মাহৰ ভিতৰত এই পৰিমাণ বৃদ্ধি পাব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এসময়ত অসম কেন্দ্ৰৰ ওপৰত নিৰ্ভৰশীল ৰাজ্য আছিল। চৰকাৰী কৰ্মচাৰীক মাহৰ দৰমহা দিবলৈও কেন্দ্ৰৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়া হৈছিল। কিন্তু আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অসমৰ পৰিৱেশ সলনি হৈছে। আমি বিচাৰোঁ অসম কেন্দ্ৰৰ ওপৰত নিৰ্ভৰশীল ৰাজ্য হৈ থকাৰ পৰিৱৰ্তে অসম আত্মনিৰ্ভৰশীল ৰাজ্য হওক আৰু দেশৰ প্ৰগতিত অসমে অৱদান আগবঢ়াওক। স্বাধীনতাৰ পূৰ্বে অসম দেশৰ ভিতৰতে বিকশিত ৰাজ্য আছিল। অসমতে প্ৰথম কয়লাখনি আৱিষ্কাৰ, তৈলক্ষেত্ৰৰ আৱিষ্কাৰ আৰু ৰিফাইনেৰী স্থাপন হৈছিল। স্বাধীনতাৰ পূৰ্বে দেশৰ ভিতৰতে অসমৰ জিডিপি সৰ্বাধিক আছিল। কিন্তু দেশ বিভাজন, ১৯৫০ চনৰ বৰভূঁইকঁপ আৰু বৰ অসমৰ বিভাজনে অসমক পিছুৱাই নিলে। সেই সময়ৰ চৰকাৰসমূহেও এইক্ষেত্ৰত অসমক কোনো সহায় নকৰিলে। ২০১৪ চনত নৰেন্দ্ৰ মোদী দেশৰ প্ৰধানমন্ত্ৰী হোৱাৰ পাছত যোৱা এটা দশকত অসমৰ জিএছডিপি ১২ শতাংশলৈ বৃদ্ধি পালে। আজি অসম বিভিন্ন দিশত আগবাঢ়ি গৈছে। এই বছৰতে অসমে ছেমিকণ্ডাক্টৰ উদ্যোগৰ উৎপাদন আৰম্ভ কৰিব আৰু ৪৮ মিলিয়ন চিপছ ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় ( নপৃষ্ঠাত চাওক)

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ বাৰ্ষিক বঁটা- বিতৰণী সভা- সাংস্কৃতিক অনুষ্ঠান



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ ছয়মাইলস্থিত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহ ১১- ১৭ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হয় । ১১ ফেব্ৰুৱাৰীত পুৱা মহাবিদ্যালয়ৰ অধ্যক্ষা ড° শিখামণি কোঁৱৰে মহাবিদ্যালয়ৰ পতাকা উত্তোলনেৰে মহাবিদ্যালয় সপ্তাহৰ শুভাৰম্ভণি কৰে । মহাবিদ্যালয় সপ্তাহৰ দিনকেইটাত ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন খেল-ধেমালী আৰু সাংস্কৃতিক প্ৰতিযোগীতাত অংশ গ্ৰহণ কৰে । এই বৰ্যত শ্ৰেষ্ঠ খেলুৱৈ শিতান লাভ কৰে ছাত্ৰী দুলুমণি ভৰালীয়ে, শ্ৰেষ্ঠ নৃত্যশিল্পীৰ খিতাপ লাভ কৰে ছাত্ৰ হীৰক জ্যোতি নাথে আৰু শ্ৰেষ্ঠ কণ্ঠ শিল্পীৰ স্থান লাভ কৰে ছাত্ৰী ৰাজশ্ৰী কলিতাই। এই বৰ্যত মি. কৰ্মশ্ৰীয়ানৰ স্থান লাভ কৰে ছাত্ৰ বিষ্ণুৰাত বৰাই আৰু মিচ. কৰ্মশ্ৰীয়ানৰ স্থান লাভ কৰে ছাত্ৰী প্ৰীয়ংকা বিশ্বাসে। সাংস্কৃতিক শুভাযাত্ৰাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে শিক্ষা বিভাগ, বাণিজ্য বিভাগ আৰু ৰাজনীতি বিজ্ঞান বিভাগে। ১৯ ফেব্ৰুৱাৰীত বঁটা-বিতৰণী সভাখনৰ শুভাৰম্ভণি কৰে অধ্যক্ষা ড° শিখামণি কোঁৱৰে বন্তি প্ৰজ্বলনেৰে। অধ্যক্ষাগৰাকীয়ে তেওঁৰ বক্তব্যত মহাবিদ্যালয়খন আৰু ছাত্ৰ-ছাত্ৰীৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰে। খেল-ধেমালী আৰু অন্যান্য প্ৰতিযোগীতাত ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণত তেওঁ সন্তুষ্টি প্ৰকাশ কৰে। অধ্যাপিকা ড° কানন ( নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত ১৯১গৰাকী বিনিয়োগকাৰীয়ে অসম চৰকাৰৰ সৈতে বুজাবুজি চুক্তিত স্বাক্ষৰ কৰিবলৈ আগ্ৰহী



ৰঙিলী বাৰ্ত্তাসেৱা- অসমক ভাৰতৰ এক অন্যতম শ্ৰেষ্ঠ বিনিয়োগৰ গন্তব্যস্থান হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে গুৱাহাটীৰ খানাপাৰাত অনুষ্ঠিত হৈছে "এডভান্টেজ আছাম -২.০" শীৰ্ষক বিনিয়োগ আৰু আন্তঃগাঠনি সন্মিলন। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে শুভ উদ্বোধন কৰা "এডভান্টেজ আছাম- ২.০" বিনিয়োগ আৰু আন্তঃগাঁঠনি সন্মিলনত কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী, দেশৰ আগশাৰীৰ উদ্যোগপতি, দেশী-বিদেশী বিনিয়োগকাৰী আৰু অসমৰ ঔদ্যোগিক ক্ষেত্ৰৰ উদ্যোগপতিসকলে অংশগ্ৰহণ কৰিছে। এই প্ৰচেষ্টাৰ লগত সংগতি ৰাখি ডিব্ৰুগড় জিলাত ৫ লাখৰ পৰা ৫০ কোটিৰ ভিতৰত বিনিয়োগৰ পৰিকল্পনা কৰা বিনিয়োগকাৰী সকলৰ বাবে বুজাবুজি চুক্তি স্বাক্ষৰৰ এটি বিশেষ অনুষ্ঠান ডিব্ৰুগড় জিলা পুঁথিভড়াল প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। কাৰ্যসূচীৰ আৰম্ভণিতে আদৰণি ভাষণ প্ৰদান কৰি জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে কয় যে, বৰ্তমান অসমত এক শান্তিপূৰ্ণ বাতাবৰণৰ সুচনা হৈছে আৰু ৰাজ্যখনৰ অৰ্থনৈতিক ক্ষেত্ৰখনৰ ব্যাপক পৰিৱৰ্তনৰ সুচনা হৈছে। খনিজ আৰু প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ অসম ক্ৰমান্বয়ে দেশী-বিদেশী বিনিয়োগকাৰীসকলৰ বাবে আকৰ্ষণৰ কেন্দ্ৰ হৈ উঠিছে বুলিও তেওঁ ব্যক্তব্য আগবঢ়ায়। "এডভান্টেজ আছাম ২.০" বিনিয়োগ আৰু আন্তঃগাঠনি সন্মিলনে অসমক ভাৰতৰ এক অন্যতম শ্ৰেষ্ঠ বিনিয়োগৰ গন্তব্যস্থান হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব ( নপৃষ্ঠাত চাওক)

# মহাশিৱৰাত্ৰিৰ স্নানেৰে সামৰণি পৰিল মহাকুম্ভমেলাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মহাশিৱৰাত্ৰিৰ স্নানেৰে সামৰণি পৰিল মহাকুম্ভমেলাৰ। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত আয়োজিত মহাকুম্ভমেলা ২০২৫ৰ সফলতাৰে সামৰণি পৰে। বিশ্বৰ সৰ্ববৃহৎ সমাৱেশ হিচাপে পৰিগণিত মহাকুম্ভমেলাত দেশ-বিদেশৰ কোটি কোটি ভক্তই অমৃত স্নান কৰি আধ্যাত্মিক ভাবত বুৰ গ'ল। ১৩ জানুৱাৰীৰ পৰা আৰম্ভ হোৱা ৪৫দিনীয়া এই মহাকুম্ভমেলাত ৬৪ কোটিতকৈও অধিক ভক্তই ত্ৰিবেণী সংগমত অমৃত স্নান কৰে। ডেৰশ কোটি টকা ব্যয়সাপেক্ষে আয়োজিত এই মহাকুম্ভমেলাই ৰাজ্যখনৰ ( নপৃষ্ঠাত চাওক)

# কামৰূপ মহানগৰ জিলাত ৭৬ খন বুজাবুজিৰ চুক্তি স্বাক্ষৰ



ৰঙিলী বাৰ্ত্তাসেৱা- এডভাণ্টেজ অসম ২.০ ৰ অংশস্বৰূপে কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ উদ্যোগত মহানগৰীৰ গনেশগুৰিস্থিত কৰ ভৱনৰ প্ৰেক্ষাগৃহত একাধিক বুজাবুজিৰ চুক্তি স্বাক্ষৰ অনুষ্ঠান হয়। অনুষ্ঠানত কামৰূপ মহানগৰঃ জিলা প্ৰশাসনৰ হৈ জিলা উন্নয়ন আয়ুক্ত পাৰিজাত ভূঁঞাই জিলাখনৰ বিভিন্ন উদ্যোগপতি-ব্যৱসায়িক প্ৰতিষ্ঠানৰ সৈতে বুজাবুজিৰ চুক্তিপত্ৰত স্বাক্ষৰ কৰে । থলুৱা উদ্যোগসমূহক আৰু অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে প্ৰধানকৈ মেচাৰ্ছ দৈৱিক, মেচাৰ্ছ চেৰাউগী ৰিয়েলছ প্ৰাইভেট লিমিটেড, মেচাৰ্ছ ওমশ্ৰী প্ৰডাক্ট, মেচাৰ্ছ ফাৰ্ষ্ট প্ৰ' প্ৰাইভেট লিমিটেড প্ৰমুখ্যে ৭৬ খন চুক্তি পত্ৰত স্বাক্ষৰ কৰা হয় । উল্লেখযোগ্য যে কামৰূপ মহানগৰ ( নপৃষ্ঠাত চাওক)

# পঞ্চভুত



**আৰতী কলিতা ডেকা, হেঙৰাবাৰী**

এবাৰ ওলাবাচোন মনিকৰ্ণিকা ঘাটলৈ
তাত গ'লে হে অনুভৱ কৰিবা জীৱনৰ নৈ
শিৱৰ পত্নী পাৰ্বতীৰ কানৰ দুল
সতীৰ অগ্নি কুণ্ড আজিও প্ৰবাহমান
যুগ যুগ ধৰি মৃত শৰীৰ কৰিছে উচন
জন্ম - মৃত্যু আমাৰ উলঙ্গ শৰীৰ আনৰ
স্পৰ্শত পায় পূৰ্ণতা আনৰ স্পৰ্শত বিদায় বেলা
মাথোঁ মায়াৰ বান্ধোন জীৱন দুদীনীয়া
লোভ, মোহ, দয়া, মৰম সকলো মিছা
যিমান কৰিবা কৰ্ম তাতেই থাকিব ধৰ্ম
বয়-বস্তু আচবাব সকলো মিথ্যাচাৰ
আত্মাক কৰা শোধন শৰীৰৰ অধপতন
বিলিন হৈ যাবগে অগ্নিৰ মাজত !!

# তোমাতে...



**শুৱলা দাস, যোৰহাট**

যিমানে নিৰৱতা বাহে,
নিশাৰ পলবোৰ গভীৰ হৈ পৰে..
তোমাৰ শব্দ আৰু সুৰৰ ঐকতানত
জীৱন জাগি উঠে।
কাকো নোকোৱা ভাৱবোৰে,
নিজেও নুবুজা
আশা বোৰে
অনুভতিৰ বাহিৰৰো দুখবোৰে
আশা আৰু হেপাহৰ
তৃপ্ততা প্ৰাপ্তিৰ সুখানুভুতিৰো বহু উৰ্ধত
বহু আলোকবৰ্ষ বাট পাৰ হৈ আহি
ভৰি পৰাহি যে মোৰ বুকুৰ কোঠালিত!
কি সৰগীয় মাদকতা!
তোমাৰে মোৰে আলাপ
কোনো ভাষাৰে বৰ্ণাব নোৱাৰা।
ইমান আচ্ছাদ!!
ইমান গভীৰ ..
প্ৰশান্ত সাগৰো য'ত তৰাং।
নাযাবা, ইমাম সোনকালে নুভতিবা!
থাকা আৰু কিছু সময়
আৰু দিয়া সেই
সিৱদি সুবাস
যি কোনো ঠাইতে, কোনো সুৰতে,
কোনো ভাষাতে
কোনো ঠিকনাতে পোৱা নাযায়।
কেৱল তোমাতে
কেৱল তোমাতে
কেৱল তোমাতে !
ইপাৰ আৰু সিপাৰৰ সাঁকোত
জী উঠাৰ
জীয়াই থকাৰ মাদকতা!!

# আপুনি আনৰ উপকাৰ কৰে নে অপকাৰ?

**সংযুক্তা দত্ত**



"মই পাৰিলে কাৰোবাক উপকাৰ কৰিম, নোৱাৰিলে নকৰোঁ। কিন্তু জানি শুনি কাৰো অপকাৰ নকৰোঁ।" - ড° ভবেন্দ্ৰনাথ শইকীয়া।

মানুহে মানুহক উপকাৰ কৰে আৰু মানুহে মানুহক অপকাৰ কৰে, মানুহে মানুহৰ শত্ৰু, মানুহে মানুহৰ বন্ধু। আনৰ উপকাৰ কৰিব পৰাটো এটা মহৎ গুণ, যিটো গুণ সকলোৱে আয়ত্ত কৰিব নোৱাৰে। উপকাৰ মানে আনৰ কাৰণে ভাল কাম এটা কৰা আৰু অপকাৰ মানে আনক বিপদত পেলোৱা। আনৰ কাৰণেই হওক বা নিজৰ কাৰণেই হওক, ভাল কাম এটা কৰিবলৈ আমাক যথেষ্ট সময়ৰ প্ৰয়োজন হয়। ঠিক ইয়াৰ বিপৰীতে বেয়া কাম এটা কৰিবলৈ আমাক বেছি সময় নালাগে। আমি আনৰ উপকাৰ কৰিব পাৰিলে কৰিব লাগে, নোৱাৰিলে নালাগে কিন্তু কাৰো অপকাৰ কৰিব নালাগে। আনৰ উপকাৰ কৰা উচিত কিন্তু নিজক বিপদত পেলায়ো নহয়। অৰ্থাৎ আনৰ উপকাৰ কৰিবলৈ যাওঁতে আপুনি এটা কথা লক্ষ্য কৰিব লাগিব, আনৰ উপকাৰ কৰিব পৰা সামৰ্থ্য আপোনাৰ আছে নে নাই। যদি আছে কৰক, যদি নাই তেনেহ'লে নিজক বিপদাপন্ন কৰি তেনে কাম নকৰাটোৱেই শ্ৰেয়।

উপকাৰ কৰাৰ আগেয়ে এবাৰ ভাবক - আপোনাৰ সহায়ে কাৰোবাৰ জীৱনলৈ হয়তো হাঁহি ঘূৰাই আনিব পাৰে। আৰু অপকাৰ কৰাৰ আগেয়ে এবাৰ ভাবক - আপুনি হয়তো কাৰোবাৰ হাঁহি কাঢ়ি আনিব খুজিছে। যদিহে আপুনি কাৰো উপকাৰ কৰিব পৰা নাই, তেনেহ'লে দুখ নকৰিব। কিয়নো আপুনি কাৰো অপকাৰো কৰা নাই।

# মাটিৰ দালালি কৰাবোৰ সমাজৰ বিশিষ্ট সমাজসেৱক



**শৈলেন কুমাৰ, মিৰ্জা**

বৰ্তমান আমি যিটো স্থিতিত আছোঁ সেয়া দূৰদৰ্শিতা থকাবোৰৰ বাবে উদ্বেগজনক নতুবা সংকটজনক বিষয় আৰু সামান্য জ্ঞান থকাবোৰৰ বাবে আনন্দ, হৰ্ষোল্লাস দিন। আমি দেখিছোঁ আজি চৌদিশে উন্নতি কিন্তু এই উন্নতি ফোঁপোলা বুলি আপুনি কব বিচাৰিব নেকি? হয়টো বহুজনৰ বাবে এয়া অহেতুক প্ৰশ্ন। প্ৰকৃতিৰ নিয়ম ইয়াতে কোনো বস্তু বিনাকাৰণে সংঘটিত নহয়। প্ৰত্যেক বস্তু বিষয়ৰ উদ্দেশ্যলক্ষ্য থাকে। উদ্দেশ্যলক্ষ্য ভাল আৰু বেয়া দুয়োটাই থাকিব পাৰে। সেয়া আপোনাৰ মানসিকতা তথা আপোনাৰ নীতিআদৰ্শৰ ওপৰত নিৰ্ভৰশীল। সত্যনিষ্ঠাৰ ওপৰত প্ৰতিষ্ঠিত কৰ্মই সমাজৰ জনজীৱনৰ বাবে আশীৰ্বাদ আৰু কুটিলতা, স্বাৰ্থপৰ, ব্যক্তিনিষ্ঠ মনোভাৱেৰে প্ৰতিষ্ঠিত কৰ্ম হয় সমাজৰ বাবে অভিশাপ। সমাজ আগুৱাই গৈছে, উন্নতি হৈছে কিন্তু প্ৰশ্ন হয় কাৰ উন্নতি ? কাৰবাবে উন্নতি? কোন আগুৱাই গৈছে ? নিজস্ব মাতৃৰ স্তন্যপান কৰি সেই গৰাকী মাতৃৰ বক্ষ ভেদ কৰা মাতৃঘাতক বোৰৰ উন্নতি দৰাচলতে সমাজবাবে একপ্ৰকাৰৰ লাঞ্ছনা। আইমাতৃ আজি ধৰ্ষিতা হয় নিজস্ব পুত্ৰৰ হাতত, যি আইমাতৃ জগতজননী নিজস্ব সন্তানৰ ভৰণপোষণ বাবে জীৱনদায়িনী কিন্তু অসুৰৰূপী সন্তানবোৰৰ হাতত নিঃশেষ হোৱাৰ পথত । সেই অসুৰবোৰ হৈছে তথাকথিত সমাজব্যৱস্থাৰ সভাসমিতিয়ে, উৎসৱ- পাৰ্বনত, মেলমিটিঙবোৰত সমাদৰ পোৱা মাটিৰ দালাল। সিহঁতবোৰেই এতিয়া তথাকথিত বিশিষ্ট সমাজসেৱক । চৌদিশে সিহঁতবোৰৰ জয়জয় ময়ময়, দিশহাৰা পথভ্ৰষ্ট সৰ্বসাধাৰণ। উন্নতি মানে অৰ্থ, যাৰ আছে অৰ্থ সিয়েই আজি সমাজৰ বিশিষ্ট। কি বিধায়ক কি মন্ত্ৰী, কি নেতা কি পালিনেতা কিম্বা বিৰোধী, শাসকীয় সকলোৱে এতিয়া ব্যস্ত মাটিৰ দালালি কৰি কমিচনৰ অংকত । মাটিৰ দালালি হৈছে বৰ্তমান সময়ত ধন ঘটাৰ সহজলভ্য পন্থা। গলত মোটা সোণৰ চেইন, দামী মবাইল, দামী গাড়ী সিহঁতৰ চিনাকি। পইছা লৈছে আৰু আইমাতৃক এই অসুৰবোৰে বহিৰাগত বণিক গোষ্ঠীক বিক্ৰী কৰিছে। এয়া উন্নয়নৰ ফোঁপোলা স্বৰূপ। দেখাত উন্নতি কিন্তু হৈছে অধঃপতন। আমি সাধুলোকৰ সান্নিধ্য নিবিচাৰোঁ। কপট, কুটিল অমানৱীয় চিন্তাৰ লোকৰ সান্নিধ্যত নিজস্বতা হেৰুৱাইছোঁ। আমি লোভ ত্যাগ কৰি অৰ্থলোভী সকলৰ দ্বাৰা চালিত সমাজব্যৱস্থাক নস্যাৎ কৰিলেহে যদি আইমাতৃক সেই দানৱবোৰৰ কবলৰ পৰা উদ্ধাৰ কৰিব পাৰিম। আপুনি অসহায়, দুৰ্বল নে আইমাতৃৰ প্ৰকৃত সুযোগ্য সন্তান সিদ্ধান্ত আপোনাৰ। সমাজ আৰু সেৱাৰ প্ৰকৃত অৰ্থ বুজি নোপোৱা অসুৰৰূপী দানৱবোৰক প্ৰাধান্য নেদি, সৎ- সাহসী প্ৰকৃত সমাজপ্ৰেমীক বিশিষ্টতা প্ৰদান কৰক ।

# প্ৰস্তুতি পৰীক্ষাৰ



**অনামিকা (সংগীতা)কলিতা, শুৱালকুছি**

ঃ মা, ৰাতিপুৱা ৮বজাতে যাব লাগিব। চিট নম্বৰ আদি সকলো বিচাৰি ল'ব লাগিব। গতিকে ৰাতিপুৱা ৫বজাতে উঠাই দিবা। সকলো পঢ়া শেষ হৈছে এতিয়া অলপ জিৰণি লওঁ। ৰমেনে ফোন কৰিছিল সিও আমাৰ লগতে যাব তাৰ দেউতাক দেশৰ সুৰক্ষাৰ দায়িত্বত কৰ্মৰত আহিব নোৱাৰিলে। মাকৰো জ্বৰ।

ঃ হ'ব দিয়া শুই থাকা ।

ঃ মা সুপ্ৰভাত মোৰ টোপনি ভালদৰে নহ'ল ইকাটি সিকাটি কৰি থাকোঁতে ৰাতিপুৱালে। ঈশ্বৰে জানে কি হয় ?

ঃ বোপা, চিন্তা নকৰিবা। কলম পেন্সিল সকলো ঠিক কৰি ভৰাই লোৱা। গা-ধোৱা গৈ গৰম হৈ আছে পানী। মই তোমাৰ কাৰণে খোৱাৰ যোগাৰ কৰোঁ। গা-ধুই আহিয়েই তোমাৰ ককা-আইতা বাৰন্দাত বহি আছে তেওঁলোকক আৰু থাপনাত সেৱা এটি লোৱা।


ঃ মা, সকলো কৰিলোঁ। ব'লা যাওঁ ৰমেন আহিছে । অকণমান ভয় লাগিছে! কি বা কেনেকুৱা প্ৰশ্ন আহে।

ঃ বোপা, ভয় কৰিব লগা কথা নহয়! প্ৰশ্নখন হাতত লৈ ঈশ্বৰক প্ৰণাম কৰি ভালদৰে এবাৰ পঢ়ি লৈ লিখি যাবা। পৰীক্ষাৰ বহী দিওঁতে শিক্ষকক গণিতবোৰ কৰাৰ কাৰণে এটা পাত বেলেগকৈ তুমি খুজি ল'বা। সেই পাতটোত পেঞ্চিলেৰে কৰি ৰবৰেৰে মচি যিমান অংক তেনেকৈ কৰিবা পাৰি। যদি বেলেগ পাত নিদিয়ে কাষতে পেঞ্চিলেৰে কৰি ৰবৰেৰে মচিবা তেতিয়া বহীটো লেতেৰা দেখা নাযায়। হুলস্থূল নকৰিবা শান্তিপূৰ্ণ ভাবে নিজৰ কৰ্ম কৰি যাবা।

ঃ হ'ব দিয়া, তাক ইমান কৈ থাকিলে টেনচন পাব। সিও জানে কেনেকৈ কৰিব লাগিব। আমি সকলোৱে তাক ইমান ব্যতিব্যস্ত কৰি তুলিব নালাগে। পৰীক্ষা সদায় আত্মীসন্তুষ্টি হাঁহি ফূৰ্তি কৰি দিব লাগে। মূৰত বোজা হিচাপে নহয়। সকলো শিশু বিশেষ প্ৰতিভা থাকে সেইটো বুজি লৈ আমি অভিভাৱক সকলে সিহঁতক অনুপ্ৰাণিত কৰিব লাগিব। ডাক্তৰ, ইঞ্জিনিয়াৰি সকলো হ'ব নোৱাৰে কিন্তু এগৰাকী ভাল নাগৰিক হিচাপে গঢ়ি তুলিব পাৰি। আজিৰ শিশু কাইলৈ দেশৰ আধাৰ।

ঃ দেউতা আপুনি ইমান সুন্দৰকৈ বুজাই দিলে এতিয়া মই ভয় নাখাওঁ। তোমালোকে অলপো চিন্তা নকৰিবা। এয়া পৰীক্ষা হে জীৱনৰ এটি আৰম্ভণি তাক শুদ্ধ আৰু সুন্দৰ কৈ দিয়া আমাৰ উদ্দেশ্য।

# কভাৰ



**ৰাজশ্ৰী শৰ্মা, গোলাঘাট, বনগাঁও**

ঃ মা জনী তুমি তোমাৰ শৰীৰটো দেখুওৱাই কাপোৰ কিয় পিন্ধা তোমাৰ বাবে ক'তো ওলাই যাব নোৱাৰা হলো সকলোৰে মুখে মুখে মাত্ৰ তোমাৰ কথা ।

ঃ মিছা কথা পাপা। সকলোৱে কয় মই হেনো বহুত ধুনীয়া। মোৰ ধুনীয়া শৰীৰটো কিয় ঢাকি ৰাখিম।

ঃ তুমি ঠিকেই কৈছা ধুনীয়া বস্তু কিয় ঢাকি ৰাখিব লাগে। মই তোমাক এটা মোবাইল লৈ দিম তুমি তোমাৰ ফটো youtube, insta, face book সকলোতে দিব পাৰিবা।

ঃ ৰিয়েলি পাপা

ঃ উম্, সঁচাকৈ দিম।

ঃ হেৰি আপুনি এইবোৰ কি কৰিছে, আমাৰ ছোৱালী এনেয়ে বেয়া হবলৈ গৈ আছে, তাইক ভাল কৰাৰ পৰিবৰ্তে আৰু বেয়া কৰিবলৈ লৈছে ।

ঃ ৰবা, তুমি এইবোৰ বুজি নাপাবা মাত্ৰ চাই থাকা। চিধা আঙুলিৰে ঘিউ নোলালে আঙুলি বেকা কৰিব লাগে। তুমি মাত্ৰ চাই থাকা।

ঃ মাজনী এইটো লোৱা। তুমি যি মন যায় কৰাগৈ।

ঃ পাপা তুমি মোবাইলটো আনিলা কিন্তু কভাৰ এটা কিয় নানিলা?

ঃ কভাৰ কিয় লাগে। ইমান ধুনীয়া মোবাইলটো কভাৰ লগাই দিলে বেয়া দেখাব নহয় মাজনী, গতিকে নালাগে দিয়া লগাব।

ঃ নহয় পাপা, ধুনীয়া মোবাইলটো কভাৰ লগালে আৰু ধুনীয়া দেখাব। ইয়াৰ উপৰিও মোবাইৰটো সুৰক্ষিত হৈ থাকিব। কৰবাত পৰি গলেও নাভাঙে আৰু পানী পৰিলেও ইয়াৰ কভাৰটোৰ বাবে মোবাইলটো নষ্ট হৈ নাযায়।

ঃ মই তোমাক আজি ইমান দিনে সেইটোৱেই বুজাব বিছাৰিছিলো। যিদৰে মোবাইলৰ কভাৰে মোবাইল সুৰক্ষা দিয়ে থিক সেইদৰে শৰীৰ ঢাক খোৱা কাপোৰযোৰে তোমাৰ শৰীৰটো সুৰক্ষা দিয়ে। ৰ'দ, বৰষুণৰ, ধুলি আদিৰ উপৰিও যিদৰে ধুনীয়া ফুল দেখিলে ভোমোৰা আহে মৌ চুহি নিবলৈ থিক সেইদৰে অৰ্ধনগ্ন শৰীৰ দেখিলেই মৌপান কৰিব বিচৰা কু দৃষ্টিৰ ল'ৰা বোৰৰ পৰাও বচাই ৰাখে । এতিয়া বুজি পালা আমি শৰীৰ ঢাকি কাপোৰ কিয় পিন্ধো।

ঃ বাঃ পাপা, ইমান সুন্দৰকৈ বুজাই দিলা।

# তুমিহীন জীৱন



**বদিউজ জামান বৰবৰা, চেঙেলী চেতিয়া গাঁও, যোৰহাট**

কেনে আছা তুমি?  
ভালনে তোমাৰ?  
সোঁহাতত এটা মদিৰাৰ পিয়লা  
বাঁও হাতৰ আঙুলিৰ ফাঁকত  
এটি জ্বলন্ত চাৰমিনাৰ লৈ  
এয়া এটা বন্ধ কুঠৰীত বহি  
এঢোক এঢোককৈ গিলি পেলাইছো  
পিয়লাত জিলিকি থকা তোমাৰ মুখখন  
চাৰমিনাৰৰ ধোঁৱাৰ সতে বিলীন কৰিছো  
তোমাৰ শৰীৰৰ সুগন্ধ।  
দূৰৈৰ পৰা ভাহি আহিছে  
মোৰ নিচিনা সুৰাপায়ীৰ  
এক বেসুৰা গীত  
তাৰ মাজত হেৰাই গৈছে  
মোৰ কাণত বাজি থকা  
তোমাৰ মৌ সনা মাত  
এনেকৈয়ে মই হৈ পৰিছো তুমিহীন  
উপভোগ কৰিছো তুমিহীন জীৱন।

# ফাগুন



**টিংকু বৰা, লখিমপুৰ**

এদিনাখন  
ফাগুনে মোক কাণে কাণে ক'লে,  
কিয় তোমালোকে  
মোৰ হৃদয়তে দিয়া উজাৰি  
আৱেগ, অনুভৱ, আশা, আশংকা  
পোৱাৰ সুখ, নোপোৱাৰ বেদনা  
সমস্ত হৃদয়খনি!  
মই আহিম  
কিছুপৰ ৰ'ম,  
সুখ-দুখৰ কিছু আলাপ  
পুনশ্চ উভতিম (সময়ৰ লগত)  
ঠিক চ'তৰ দৰে  
তেনে কিয় কৰাহে বৈষম্য?  
চ'তক কিয় কৰা অৱমাননা ?  
চ'তেওতো গাঠিব পাৰে  
উদবাউল হৃদয়ৰ ৰক্তস্ৰোতাত  
মালা এধাৰি  
চ'তেওতো নিৰ্মাণ কৰিব পাৰে  
মন দাপোনত  
বোলছবি এখনি !  
চ'তেওতো ছটিয়াব পাৰে কোমল হৃদয়ত  
মায়াময় ৰঙ এধানি !


জনতাৰ চৰকাৰ | my GOV মেৰী সৰকাৰ
অসম চৰকাৰ
কৃষি বিভাগ
সৰিয়হ
প্ৰতি কুইণ্টলত সমৰ্থন মূল্য
৫,৯৫০ টকা
খেতিয়কৰ আয় বৃদ্ধিৰ এক অন্যতম যোজনা
তৃতীয়বাৰৰ বাবে
কৃষি বিভাগৰ দ্বাৰা ন্যূনতম সমৰ্থন মূল্যত কৃষকৰ পৰা সৰিয়হ ক্ৰয়
ক্ৰয়ৰ সময়সীমা
২৫ ফেব্ৰুৱাৰী - ২৫ মে' ২০২৫
JANASANYOG- 4633/24/2-March-25
সৰিয়হ ক্ৰয় কৰা সংস্থাসমূহ
অসম ৰাজ্যিক কৃষি সামগ্ৰী বিপণন পৰিষদ
অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেড
অসম ৰাজ্যিক পণ্যাগাৰ নিগম
সৰিয়হ খেতিয়কসকলৰ কৰণীয়
বিক্ৰীৰ বাবে খেতিয়কসকল e-samridhi প'ৰ্টেলত পঞ্জীয়নভুক্ত হোৱাটো বাধ্যতামূলক
জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ পৰা কৃষক প্ৰমাণ-পত্ৰ সংগ্ৰহ কৰিব লাগিব
কৃষক প্ৰমাণ-পত্ৰৰ লগতে আধাৰ কাৰ্ড, বেংক পাছবুকৰ প্ৰতিলিপি আৰু ম'বাইল নম্বৰ সংশ্লিষ্ট কৰ্তৃত্বশীল বিষয়াৰ ওচৰত জমা দিব লাগিব
সৰিয়হৰ সৰ্বোচ্চ অনুমোদিত সীমা
মিহলি হৈ থকা বৰ্জ্য পদাৰ্থ সৰ্বোচ্চ ২ শতাংশ
টোৱিয়া সামৰি মিহলি হৈ থকা আন শস্য সৰ্বোচ্চ ১০ শতাংশ
মিহলি হৈ থকা অপৈণত, পতনুৱা আদি সৰ্বোচ্চ ৪ শতাংশ
মিহলি হৈ থকা পঁচা, পোকে খোৱা আদি সৰ্বোচ্চ ২ শতাংশ
মিহলি হৈ থকা সৰু তথা নিশকতীয়া শস্য সৰ্বোচ্চ ১০ শতাংশ
আৰ্দ্ৰতা সৰ্বোচ্চ ৮ শতাংশ
সবিশেষ জানিবৰ বাবে যোগাযোগ কৰক
জিলা কৃষি বিষয়া/কৃষি উন্নয়ন বিষয়া
সহঃ বাণিজ্য বিষয়া, অসম ৰাজ্যিক কৃষি সামগ্ৰী বিপণন পৰিষদ (ম'বাইল : ৮৬৩৮১-৪৮১৮৬)
সংশ্লিষ্ট সচিব, নিয়ন্ত্ৰিত বজাৰ সমিতি
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৰাটছএপ কৰক

# পদপথত সাহিত্য চৰ্চা

মুনিন্দ্ৰ বৈশ্য, ওদালগুৰি



**(১) পাচলি বেপাৰী**

দুমাহমান আগৰ কথা। গৈছিলোঁ সু-সাহিত্যিক তথা বিশিষ্ট ফৰেণ্সিক বিজ্ঞানী ডঃ পদ্মপাণি ছাৰৰ কাহিলিপাৰাস্থ ঘৰত এৰাতি থকাকৈ। সন্ধিয়া ছ মান বজাত ছাৰৰ ঘৰ পালোঁগৈ। চাহ-পানী খাই অলপ আৰাম কৰিলোঁ। বজাৰৰ ফালে এপাক মাৰিবলৈ ছাৰে লগ ধৰিলে। উপস্থিত হ'লোঁগৈ ছাৰে সুদীৰ্ঘ কাল দক্ষতাৰে কাৰ্যনিৰ্বাহ কৰি বিভাগটোক নতুন গতি দি থৈ অহা কাহিলিপাৰাস্থ ফৰেণ্সিক বিজ্ঞানৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত। তাৰেই পদপথত সন্ধিয়া বহে শাক-পাচলিৰ এখন সৰু বজাৰ। এজন বেপাৰীক ছাৰে বিভিন্ন পাচলিৰ দাম সুধিলে। বেপাৰীজনে কৈ গ'ল- "বিলাহীৰ দাম কেজি ৮০ টকা ছাৰ, আপুনি ৭০ টকা দিলেই হ'ব। গাজৰৰ ৬০ টকা, বিটৰ দাম অলপ বেছি, ১০০ টকা; কিন্তু আপোনাক ৮০ টকা ধৰিম দিয়ক।" পাচলি বেপাৰীৰ এনে ৰেহাই মূল্যৰ কথা শুনি ছাৰে ক'লে- "তুমি যে মোক ইমান কম দামত বস্তুবিলাক দি আছা, আজি তোমাৰ বেপাৰ ভাল যেন পাইছোঁ।"

বেপাৰীজনে বিনম্ৰ-ভাৱে উত্তৰ দিলে- "নহয় ছাৰ, আপোনাক মই চিনি পাওঁ। আপুনি এটা সময়ত এইটো অফিচতে চাকৰি কৰিছিল। লেখা-মেলা কৰে বুলি জানো, টিভিতো আপোনাক দেখি থাকোঁ। আপোনালোকৰ দৰে গুণী-জ্ঞানী ব্যক্তি লগ পালে নিজকে ভাগ্যৱান বুলি ভাবোঁ।"

"হয় নেকি? জানি খুব ভাল পালোঁ। তোমাৰ ঘৰ ক'ত?"- ছাৰে সুধিলে। "টংলাত ছাৰ।" টংলাৰ পবিত্ৰ ৰাভাক চিনি পোৱানে? "কিয় নাপাম ছাৰ! তেওঁৰ কেইবাখনো নাটক চাইছোঁ, বহুত ভাল অভিনেতা ছাৰ। ৰাভা দা আমাৰ ওদালগুৰিৰ গৌৰৱ।" উৎফুল্লিত হৈ পাচলি বেপাৰীজনে উত্তৰ দিলে।

কাষতে ঠি দি মই আছিলোঁ সকলো শুনি। ছাৰে মোলৈ আঙুলিয়াই সুধিলে- "এওঁক চিনি পোৱানে? এওঁৰ নাম মুনিন্দ্ৰ বৈশ্য, ঘৰ টংলাৰ ফালেই। খুব ভাল লিখে।"

"অ' আপুনিয়েই নেকি মুনিন্দ্ৰ বৈশ্য? পঢ়িছোঁ পঢ়িছোঁ, আপোনাৰ লেখাও মই পঢ়িছোঁ। মই সদায় নহ'লেও মাজে মাজে বাতৰি কাকত এখন কিনি পঢ়োঁ। আপোনাক লগ পাই ভাল পালোঁ।"

পাচলি বেপাৰীজনৰ নাম কনক চন্দ্ৰ নাথ। ঘৰ ওদালগুৰি জিলাৰ টংলাৰ হাতীবান্ধা নামৰ এখন ভিতৰুৱা গাঁৱত। ২০১০ চনৰ ৩০ অক্টোবৰৰ ধাৰাবাহিক বোমা বিস্ফোৰণৰ সেই অভিশপ্ত দিনটোৰ পৰা তেওঁ গুৱাহাটীত থাকিবলৈ লৈছে। পৰিয়ালৰ সৈতে ভাড়াঘৰত থাকে। ল'ৰা-ছোৱালী দুটাক অসমীয়া মাধ্যমত পঢ়ুৱাইছে।

"দৰিদ্ৰতাই কোঙা কৰা হেতু মই বৰ বেছি পঢ়া-শুনা কৰিব নোৱাৰিলোঁ। কিন্তু পঢ়াৰ প্ৰতি সৰুৰে পৰা থকা ধাউতি আজিও কমা নাই। মোৰ ঘৰত বহুত বাহিৰা কিতাপ আছে। মামণি বাইদেউৰ 'মামৰে ধৰা তৰোৱাল', হোমেন বৰগোহাঞিৰ 'কিতাপ পঢ়াৰ আনন্দ'- এই দুখন কিতাপ মই বৰ ভাল পাওঁ। টিভিত মই বাতৰি আৰু টক শ্ব'বোৰেই বেছিকৈ চাওঁ। জ্যোতি চিত্ৰবনত প্ৰায়ে সভা-সমিতি হৈ থাকে। সুবিধা বুজি মই দোকানখন লগৰীয়াক চাবলৈ দি তালৈ এপাক মাৰোঁ। ডাঙৰ ডাঙৰ মানুহক দেখা পাওঁ, সুবিধা পালে চিনাকি হওঁ, তেওঁলোকৰ পৰশত ধন্য হওঁ। কিতাপ দেখিলে পাত লুটিয়াই চাওঁ, দুই-এখন কিনো। ল'ৰা-ছোৱালী দুটাৰ বাবেও লওঁ। বেছিকৈও কিনিব নোৱাৰোঁ, টানি-টুনি পৰিয়াল চলাই থকা মানুহ আমি।"

পাচলি বেপাৰী কনক চন্দ্ৰ নাথক ডঃ পদ্মপাণি ছাৰে ঘৰৰ ঠিকানাটো দি ক'লে- "তুমি মোৰ ঘৰলৈ আহিবা, দুখনমান কিতাপ দি পঠিয়াম।"ময়ো ছাৰৰ ঘৰলৈ আকৌ গ'লে মোৰো নিজা গ্ৰন্থ কেইখনমান লৈ যাম বুলি মনতে ঠিৰাং কৰিলোঁ। "বিচাৰি চলাথ কৰিলেও এনে পাঠক পাম কেইজন?"- নিজকে প্ৰশ্ন কৰিলোঁ।

**(২) চাহ দোকানী**

উজনি অসমলৈ বুলি গৈ থকা নৈশ বাছখন নিশা ৮ মান বজাত ৰখাইছিল তেজপুৰৰ নৈশ বাছ আস্থানত। বাছ আস্থানৰ কাষতে পদপথত অৱস্থিত এখন চাহৰ দোকানত সোমালো চাহ একাপ খাওঁ বুলি। দোকানত একমাত্ৰ গ্ৰাহক ময়ে। দোকানীজনৰ বয়স সম্ভৱতঃ ২০-২২ বছৰমান হ'ব। মই চাহ খাই থাকোঁতে আন এজন সম বয়সীয়া ল'ৰা আহি দোকানীজনৰ লগত কথা পাতিব ধৰিলে। তেওঁলোকৰ আলোচনা মোৰ কৰ্ণগোচৰ হ'ল যদিও বোধগম্য নহ'ল। চাহ খোৱা শেষ হ'লত পইচা দিবলৈ বুলি উঠি আহোঁতে মোৰ কাণত পৰিল- "..... সেইখন পঢ়া হ'ল। এতিয়া এখন জাপানীজ কিতাপ পঢ়ি আছোঁ।" বুজিলোঁ ল'ৰা দুজনে বাহিৰা কিতাপ পঢ়ে আৰু দুয়ো লগালগি হ'লে তেওঁলোকে পঢ়ি থকা কিতাপৰ বিষয়ে আলোচনা কৰে। লগৰজনে দোকানীজনক সুধিলে- "কিতাপখনৰ নাম কি?" দোকানীজনে 'ইকীগা', 'ইকীকা' এই ধৰণৰ শব্দ দুটামান উচ্চাৰণ কৰিছে। বুজিলো তেওঁ কিতাপখনৰ নামটো শুদ্ধকৈ ক'ব জনা নাই। মই মাত দিলোঁ- "ইকীগাই, এখন বিশ্ববিখ্যাত জাপানীজ গ্ৰন্থ।" যদিও মই অনুমান কৰিব পাৰিছোঁ, তথাপি কৌতুহল সম্বৰণ কৰিব নোৱাৰি সুধিলোঁ- "অসমীয়া অনুবাদখন পঢ়িছা নে ইংৰাজীখন পঢ়িছা?" "ইংৰাজীখন দাদা"- দোকানীজনে উত্তৰ দিলে।

নৈশ বাছৰ আৰামদায়ক চিটটো পিছফালে হলাই দিলোঁ। দেহাটো এৰি দি চকুযুৰি মুদি দিলোঁ। মনলৈ আহিল সুস্থ আৰু সুখৰ জীৱন যাপনৰ সেই বিশ্ববিখ্যাত জাপানীজ মন্ত্ৰটো- ইকীগাই, দ্য আৰ্ট অব লিভিং...।

**(৩) হোটেল বয়**

এদিনাখন এটা অচিনাকি নম্বৰৰ পৰা ফোন আহিল। "বৈশ্য ছাৰ হয়নে?"- সিফালৰ পৰা কণ্ঠস্বৰ ভাহি আহিল। মই শালাগিলোঁ। তেওঁ নিজৰ পৰিচয় দি কৈ গ'ল- "ছাৰ, মই বাইহাতা চাৰিআলিৰ পৰা কৈছোঁ। আজি মিঠাই বান্ধিবলৈ বুলি ওলমাই থোৱা কাগজ এখন হাতত লওঁতে এটা বিশেষ বাক্যত চকু পৰিল। অজানিতে বাক্যটোৰে মোক আকৰ্ষণ কৰিলে। সেয়ে কাগজখন ধুনীয়াকৈ জাপি জেপত ভৰাই ল'লোঁ। অন্য এখন কাগজেৰে মিঠাইখিনি বান্ধিলোঁ। পিছত কাগজখন উলিয়াই দেখিলোঁ তাত এটা নিবন্ধ আছে। নিবন্ধটো পঢ়ি মোৰ হৃদয় চুই গ'ল। দৰিদ্ৰতাই পিষ্ট কৰা মই এজন দুৰ্ভগীয়া ল'ৰা। বৰ বেছি পঢ়া-শুনা কৰিব নোৱাৰিলোঁ। দৰিদ্ৰতাই সকলো সপোন হৰি নিলে। জীৱনৰ কথা ভাবিলে এবুকু হতাশাই হেঁচা মাৰি ধৰে। আপোনাৰ লেখাটোৱে বহুত সাহস যোগালে। হাজাৰ নিৰাশাৰ মাজতো আশাৰ ৰেঙণি দেখিবলৈ পালোঁ। লেখাটোৰ তলত নম্বৰটো দেখি আপোনাক কৃতজ্ঞতা জনাওঁ বুলিয়ে ফোন কৰিলোঁ। মই বৰ দুৰ্ভগীয়া ছাৰ।"

"তুমি কি কৰা?"- মই সুধিলোঁ।

"হোটেল বয় ছাৰ।"- ল'ৰাজনে উত্তৰ দিলে।

"দুৰ্ভগীয়া তুমি নহয় অ'। তোমাৰ দৰে প্ৰকৃত পাঠকৰ জন্ম দিব নোৱৰা আমাৰ সমাজখনহে দুৰ্ভগীয়া।" স্বগোক্তি কৰিলোঁ।

# ৰাঙলী মদাৰ



ইভা গন্ধীয়া ফুকন

ফুলিছে ৰাঙলী মদাৰফুল
পাতে ফুলে ঢাকি ৰাখিছে সময়
তলে তলে বৈ আছে উৎকণ্ঠা, শিহৰণ
মোৰ বুকু জুৰি
কোনে আহি ৰিঙিয়াই
মদাৰ ফুলৰ অলংকাৰ পিন্ধি
ফাগুনে আহি ভুমুকিয়াই
বুকুত কিবা এটা গোপনে শিপাই গৈছে
খামুচি খামুচি
ডালে -পাতে ঠালে - ঠেঙুলিয়ে পোখাইছে
দুচকুত উৎকণ্ঠা
তলসৰা মদাৰফুলে স্মৃতিৰ সঁফুৰা খোলে
ধূলিয়ৰি পচোৱা
কোবাই যা দুখৰ ধামখুমীয়া
নাও লৈ নাবিকজন দূৰণিলৈ ভটিয়াই
থুনুকা মাটিকলহ বেচিবলৈ যায়
নৈ পাৰৰ ৰাঙলী মদাৰে মন জুৰায়
বাৰীৰ ঢাপত মদাৰ গছত বগোৱা পান
খাবলৈ ভাল
কাঁইটে আৰৱা ডালৰ পৰা পাৰিবলৈহে টান
গীতে- মাতে শোভিত ৰাঙলী মদাৰ
গুণ নহ'লেও ৰূপতেই জিলিকি
ৰাঙলী মদাৰ হৈ আছে নিজৰ স্থিতিত প্ৰকৃতি শুৱাই
দহি বটা পাখিৰ আলসুৱা পখিলা ফুলৰ বুকুত
ৰদৰ দেহ ঐশ্বৰ্য, সৌন্দৰ্য বৰদৈচিলাই আঁচুৰে
বৰষা ৰাণীয়েও তোৰ দুখ নুবুজে
মদাৰৰ ৰঙাখিনিত আছে পপীয়া তৰাৰ সাধু
স্বপ্নকাতৰ লেটা এটা হৈ জীয়াম
গালে মুখে কৃষ্ণচুড়া ফুলাই
ফাগুনক ৰাখিম ধৰি মদাৰৰ দিনবোৰত ।

# অসমত বৃহৎ আন্তঃগাঁথনি নিৰ্মাণৰ

নিবিদা ইতিমধ্যে হৈ গৈছে। অসমৰ মুখ্যমন্ত্ৰীয়ে এই দলংখনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জৰিয়তে ভূমিপূজন কৰিব পাৰে। সেইদৰে গুৱাহাটী-পঞ্চগ্ৰাম পথ প্ৰকল্প নিৰ্মাণৰ কামো ২০২৫ৰ জুলাইৰ পূৰ্বে আৰম্ভ কৰা হ'ব। এই প্ৰকল্পটো হৈ উঠিলে গুৱাহাটীৰ পৰা শিলচৰলৈ যাতায়াতৰ দুৰত্ব চাৰিৰ পৰা পাঁচ ঘণ্টালৈ হ্ৰাস পাব। নুমলীগড়-গহপুৰ সংযোগী সুৰংগ পথৰ নিৰ্মাণৰ কামো চলিত বৰ্ষৰ জুলাই মাহৰ পূৰ্বে আৰম্ভ কৰা হ'ব। উল্লেখ্য যে এই সন্মিলনখনত ভাষণ দি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমত উন্নত আন্তঃগাঁথনি নিৰ্মাণত গুৰুত্ব আৰোপ কৰি কয় যে উন্নত আন্তঃগাঁথনিৰ জৰিয়তেহে কোনো এটা অঞ্চললৈ বিনিয়োগকাৰীক আকৰ্ষণ কৰিব পৰা যায়। যেতিয়া কোনো এটা অঞ্চল বা ৰাজ্য এখনত উন্নত আন্তঃগাঁথনি থাকে, তেতিয়া তেনে অঞ্চল বা ৰাজ্যখনলৈ স্বাভাৱিকভাৱেই বিনিয়োগকাৰীৰ আগমন ঘটে। ইয়াৰ পৰিপ্ৰেক্ষিতত এডভান্টেজ আছাম ২.০ৰ জৰিয়তে ৰাজ্যখনত বিনিয়োগ আৰু আন্তঃগাঁথনি উন্নয়নৰ দিশত গুৰুত্ব আৰোপ কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অসমে আজি আন্তঃগাঁথনি আৰু যোগাযোগৰ ক্ষেত্ৰত উল্লেখযোগ্য পৰিৱৰ্তন সাধন কৰিবলৈ সক্ষম হৈছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰতিবছৰে ৰাজ্যখনৰ মূলধনী বিনিয়োগে চলিত বৰ্ষত ২৫ হাজাৰ কোটি টকাৰ সীমা অতিক্ৰম কৰিব। ৰাজ্য চৰকাৰে প্ৰতিবছৰে ১০ শতাংশকৈ মূলধনী বিনিয়োগ বৃদ্ধি কৰি আহিছে। অসমে বাস্তৱসন্মত, ভৱিষ্যমুখী আৰু প্ৰায়োগিক দিশত আগবাঢ়িব লাগিব। এই সন্মিলনত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপৰি ছিংগাপুৰৰ উচ্চায়ুক্ত ছাইমন ৰং, লোকনিৰ্মাণ (প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা) বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পাল, ভাৰতৰ আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ অধ্যক্ষ বিজয় কুমাৰ, উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মহাপ্ৰবন্ধক চেতন কুমাৰ শ্ৰীবাস্তৱ, ই ৱাইৰ পাৰ্টনাৰ আদিল জাইদি, আফকৰ্নছৰ উপ-পৰিচালন সঞ্চালক গিৰিধৰ ৰাজাগোপালন, ৰোডছ, ব্ৰীজেছ, ফাউণ্ডেচনছ এণ্ড এলএণ্ডটি কনষ্ট্ৰাকচনৰ কাৰ্যবাহী উপ-সভাপতি আৰু এছ বি জিৰ মুৰব্বী আৰ কে বানছাল, আদানি বন্দৰ আৰু এছ ই জেদৰ সভাপতি সুব্ৰত ত্ৰিপাঠী আদি উপস্থিত থাকে।

# সফলতাৰে সামৰণি পৰিল

বজাৰত যোগান ধৰিব পাৰিব। অসমৰ নুমলীগড় ৰিফাইনেৰী দেশৰ প্ৰথমটো বাঁহৰ পৰা বায়' ইথানল প্ৰস্তুত কৰা ৰাজ্য হ'ব। লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমানবন্দৰৰ নতুন টাৰ্মিনেলটো এই বছৰতে আৰম্ভ হ'ব আৰু এই বিমানবন্দৰটো দেশৰ ভিতৰতে পঞ্চমটো বৃহৎ বিমানবন্দৰ হিচাপে পৰিগণিত হ'ব। গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী ব্ৰহ্মপুত্ৰৰ দলংখনো এই বছৰটোতে আৰম্ভ হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ বিকাশৰ বাবে আগবঢ়োৱা মাৰ্গদৰ্শনৰ বাবে প্ৰধানমন্ত্ৰীক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'ঝুমইৰ বিনন্দিনী' কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে এডভান্টেজ আছাম ২.০ৰ সন্মিলনত অংশগ্ৰহণ কৰে। এই উপলক্ষে আয়োজন কৰা প্ৰদৰ্শনীত প্ৰধানমন্ত্ৰী মোদীয়ে ৪০ মিনিট সময় উপস্থিত থকাৰ লগতে এডভান্টেজ আছাম ২.০ সন্মিলনখনৰ উদ্বোধনো কৰি টীম অসমক অনুপ্ৰাণিত কৰিছে। এডভান্টেজ আছাম ২.০ সফল হোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সদস্যসকলক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আজি আমি নতুন যাত্ৰাৰ বাবে সাজু হৈছোঁ। এইবাৰৰ বিনিয়োগ সন্মিলনত হাইড্ৰ'কাৰ্বন, খনি আৰু সেউজ শক্তিখণ্ডৰ উপৰি কৃষি, পশুপালন, উদ্যান শস্য শিতানত যথেষ্ট বিনিয়োগ হৈছে। উদ্যোগীকৰণ অবিহনে অসমৰ যুৱক-যুৱতীসকল কেতিয়াও নিজৰ মাতৃভূমিত থাকিব নোৱাৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে যেতিয়া বেংগালুৰু, কৰ্ণাটক, চেন্নাইলৈ যাওঁ, তাত দেখিবলৈ পাওঁ ৭-৮ হাজাৰ টকাৰ দৰমহাত অসমৰ যুৱক-যুৱতীয়ে কাম কৰি আছে। ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ আমি উদ্যোগ স্থাপন কৰিবই লাগিব। আজি আমি নতুন অসমৰ নতুন বুনিয়াদ নিৰ্মাণ কৰিছোঁ। আশা কৰিছোঁ অসমৰ যুৱপ্ৰজন্মই অসমক আগুৱাই লৈ যাব। অসমৰ যুৱক-যুৱতী অভিযন্তা হৈ আমেৰিকা-জাপানলৈ যাওক। আমি তেনেকুৱা এখন অসম বিচাৰোঁ। ৰাজনীতিলৈ অহাৰ সময়ত আমি যিখন অসম নিৰ্মাণৰ কল্পনা কৰিছিলোঁ সেই দিনটোত আজি আমি থিয় হৈছোঁ। ইয়াৰ পৰা আমি ভৱিষ্যতৰ অসম চাব পাৰোঁ। আন্দোলন, হত্যা, তেজৰ ফাকু খেলা অসমৰ পৰিৱৰ্তে উজ্জ্বল অসম এখন থিয় কৰাব পাৰিছোঁ। ১৯৪৭ৰ আগত অসম যেনেদৰে সম্পদপূৰ্ণ, সমৃদ্ধিশালী আছিল, আজি আমি তালৈ লৈ যাব পাৰিছোঁ। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ২০১৮ চনতো অসমে তেনে এক প্ৰচেষ্টা লৈছিল। কিন্তু তাৰ পাছতে আৰম্ভ হোৱা 'কা' আন্দোলনে ৰাজ্যখনক পিছুৱাই নিলে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই এইবাৰৰ বিনিয়োগ সন্মিলনত ৬-৭ লাখ কোটি টকাৰ বিনিয়োগৰ প্ৰস্তাৱ আহিছিল। কিন্তু অসম চৰকাৰে বাস্তৱসন্মত প্ৰস্তাৱসমূহৰ ওপৰত বুজাবুজিৰ চুক্তি কৰিছে। ইপিনে, সামৰণী অনুষ্ঠানত ভাৰত চৰকাৰৰ বাণিজ্য আৰু উদ্যোগ দপ্তৰৰ মন্ত্ৰী পীযূষ গোৱেলে ভাৰতৰ ৰপ্তানি লজিষ্টিক আৰু বাণিজ্য খণ্ডৰ মূল অংশীদাৰ হিচাপে অসমৰ স্থিতি সুদৃঢ় কৰাৰ দিশত এক উল্লেখযোগ্য পদক্ষেপ বুলি চিহ্নিত কৰে। প্ৰযুক্তি খণ্ডত অসমৰ ক্ৰমবৰ্ধমান ভূমিকাক স্বীকৃতি প্ৰদান কৰি তেওঁ কয় যে টাটাৰ অৰ্ধপৰিবাহী উদ্যোগ আৰু ৰিলায়েঞ্চ ইণ্ডাষ্ট্ৰিজৰ এ আই উদ্যোগৰ দৰে উল্লেখযোগ্য উন্নয়নে অঞ্চলটোৰ অৰ্থনীতিত যথেষ্ট প্ৰত্যক্ষ প্ৰভাৱ পেলাব। অসমৰ ভৱিষ্যৎ উন্নয়নক উৰ্দ্ধগামী কৰাত তিনিটা টি যেনে- ট্ৰেড, টেকন'লজী, টুৰিজিম আৰু তিনিটা আই যেনে-ইণ্ডাষ্ট্ৰী, ইনফ্ৰাষ্ট্ৰাকচাৰ, ইনভেষ্টমেণ্টৰ ভূমিকা গুৰুত্বপূৰ্ণ হ'ব। ৰাজ্যখনৰ শিক্ষাখণ্ড সন্দৰ্ভত তেওঁ কয় যে ১৮খন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপন আৰু বিশ্ববিদ্যালয়সমূহত বিদেশী ভাষাৰ কাৰ্যসূচী প্ৰৱৰ্তনৰ জৰিয়তে স্থানীয় ছাত্ৰ-ছাত্ৰীসকলক বিশ্বব্যাপী সুযোগৰ বাবে সাজু কৰি তুলিব পৰা যাব। উদ্ভাৱন আৰু গৱেষণা তথা উন্নয়নৰ পোষকতাৰে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপক প্ৰশংসা কৰি তেওঁ কয় যে এনে পদক্ষেপসমূহে প্ৰধানমন্ত্ৰী মোদীৰ বিকশিত ভাৰতৰ দৃষ্টিভংগীৰ অংশ হিচাপে অসমক উপকৃত কৰিব। চহকী সম্পদ, শক্তিশালী নেতৃত্ব, উন্নয়নৰ প্ৰতি দায়বদ্ধতাৰে অসম এখন নিৰ্ভৰযোগ্য আৰু প্ৰগতিশীল ৰাজ্য হৈ উঠিব। এডভান্টেজ আছাম ২.০ সন্মিলনক সফল কৰি তোলাৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, আয়োজক আৰু সকলো অংশীদাৰক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে অসমৰ অবিৰত বৃদ্ধি আৰু সমৃদ্ধিৰ প্ৰতি ভাৰত চৰকাৰৰ দায়বদ্ধতাৰ কথা উল্লেখ কৰে। ভাষণত তেওঁ অসমৰ মুখ্যমন্ত্ৰীক উত্তৰ-পূবৰ শান্তি-প্ৰগতিৰ ধ্বজাবাহক বুলি অভিহিত কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাক 'সোণৰ হৃদয়ৰ মানুহ' বুলি উল্লেখ কৰি কয় যে ড° শৰ্মাই অসমৰ কল্যাণৰ বাবে নিষ্ঠা আৰু অদম্য প্ৰচেষ্টা চলাই আহিছে। যিটো দেশৰ প্ৰধানমন্ত্ৰী মোদীৰ দেশৰ প্ৰগতিৰ দৃষ্টিভংগীৰ সৈতে নিখুঁতভাৱে ৰজিতা খাই আহিছে।

# পথ দুৰ্ঘটনাত প্ৰাণ

পৰে আৰু থিতাতে মৃত্যু হয় বিৰিঞ্চি দাসৰ। নিয়ন্ত্ৰণ হেৰুৱাই স্কুটীখনত খুন্দা মাৰিছিল চাৰিচকীয়া বাহনখনে আৰু ঘটনা সংঘটিত কৰিয়েই উক্ত স্থানৰ পৰা পলায়ন কৰে গাড়ীৰ চালকে । ঘটনা সংঘটিত কৰা চুইফট বাহনখনৰ নম্বৰ AS 01AY 9101। এই ঘটনাৰ বিষয়ে অৱগত হোৱাৰ পাছতেই উক্ত স্থানত আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। ইতিমধ্যে চুইফট বাহনখন আৰক্ষীয়ে জব্দ কৰিছে যদিও গাড়ীৰ চালক পলাতক অৱস্থাত আছে। চালকক বিচাৰি আৰক্ষীয়ে অব্যাহত ৰাখিছে অভিযান। জানিব পৰা মতে, কিছুদিন পূৰ্বে আৰক্ষী বিষয়া বিৰিঞ্চি দাসৰ মাতৃৰ মৃত্যু হৈছিল। সেই সূত্ৰে তেওঁ যোৱা এমাহ ধৰি ছুটীত ঘৰতে আছিল। ২৬ ফেব্ৰুৱাৰী আছিল তেওঁৰ ছুটীৰ শেষ দিন আৰু ২৭ ফেব্ৰুৱাৰীত তেওঁৰ চাকৰিত পুনৰ যোগদান কৰাৰ কথা। কিন্তু তাৰ পূৰ্বে ২৬ ফেব্ৰুৱাৰীৰ নিশা ২ মান বজাত সংঘটিত হয় এই শোকাবহ পথ দুৰ্ঘটনা।

# মহাশিৱৰাত্ৰিৰ স্নানেৰে

অৰ্থনীতিলৈ তিনি লাখ কোটিতকৈও অধিক টকাৰ ৰাজহ অৰিহণা যোগায়। ১৫ লাখ জনসংখ্যাৰ চহৰ প্ৰয়াগৰাজে দেশ-বিদেশৰ ৬৪ কোটিতকৈও অধিক ভক্তক হাঁহিৰে আদৰণি জনোৱাটো কঠিন প্ৰত্যাহ্বান আছিল যদিও আয়োজকৰ সঠিক ব্যৱস্থাপনাৰ বাবে দুই-এটা বিক্ষিপ্ত ঘটনাক বাদে সুকলমে ৪৫দিনীয়া মহাকুম্ভমেলাৰ সামৰণি পৰে। ১৩ জানুৱাৰীত আৰম্ভ হোৱা এই মহাকুম্ভমেলাৰ অমৃত স্নানৰ ৪৫ দিনত মহাশিৱৰাত্ৰিৰ দিনা কেইবালক্ষ ভক্তৰ অমৃত স্নানেৰে সামৰণি পৰে। মহাশিৱৰাত্ৰিৰ দিনা অমৃত স্নানৰ বাবে ভিৰ কৰা ভক্তৰ ওপৰত ভাৰতীয় বায়ুসেনা বাহিনীয়ে হেলিকপ্টাৰেৰে পুষ্পবৃষ্টি কৰে। এই মহাকুম্ভমেলাত দেশৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰা কেবিনেট মন্ত্ৰীসকলৰ লগতে দেশৰ-ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু ৰাজনীতিকসকলে অমৃত স্নান কৰে। এই মহাকুম্ভমেলাত ৪০তকৈও অধিক দেশৰ কূটনীতিকে অমৃত স্নান কৰি একতা আৰু বিশ্ব এক পৰিয়াল বাৰ্তাৰে আয়োজন কৰা মহাকুম্ভমেলাক সফল কৰি তোলে।

# কামৰূপ মহানগৰ জিলাত

জিলাত ২১৯ টা প্ৰকল্প আছে। ইয়াৰ ভিতৰত ৫০ কোটিতকৈ অধিক ১২ টা আৰু ৫০ কোটিতকৈ কম ২০৭ টা প্ৰকল্প । এই বুজাবুজি চুক্তিত প্ৰায় ৩৮৫.৩৭ কোটি টকা বিনিয়োগ কৰা হ'ব । ইপিনে, এই বুজাবুজিৰ চুক্তি স্বাক্ষৰ অনুষ্ঠানত গুৱাহাটীৰ খানাপাৰাত এডভান্টেজ অসম ২.০ ৰ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰা অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ প্ৰদৰ্শন কৰা হয়। উক্ত অনুষ্ঠানত জিলা উদ্যোগ আৰু বাণিজ্যিক বিভাগৰ মহাপ্ৰবন্ধক উমেশ কুমাৰ, জিলা প্ৰশাসন, জিলা উদ্যোগ আৰু বাণিজ্যিক বিভাগৰ বিষয়াসকলৰ লগতে বিনিয়োগকাৰীসকল উপস্থিত থাকে ।

# কৰ্মশ্ৰী হিতেশ্বৰ

মেধি পাটগিৰী আৰু ড° মৰমী চৌধুৰীয়ে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে নৃত্য- গীত পৰিৱেশন কৰে। মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ তত্বাৱধায়িকা অধ্যাপিকা ইন্দ্ৰানী গগৈ পানীফুকন আৰু অধ্যাপক ফৰজ আলী আহমেদে এটিকৈ গীত পৰিৱেশন কৰে। সাংস্কৃতিক অনুষ্ঠানৰ বিশেষ আকৰ্ষণ আছিল শিল্পী ৰাকেশ ৰিয়ানৰ গীত পৰিৱেশন। গোটেই অনুষ্ঠানটিৰ আঁত ধৰে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হীৰক জ্যোতি নাথ আৰু ছাত্ৰী কৃষ্ণাঙ্গী কাশ্যপে ।

# ডিব্ৰুগড়ত ১৯১গৰাকী

বুলিও তেওঁ উল্লেখ কৰে। বিনিয়োগ আৰু আন্তঃগাঁঠনিৰ শীৰ্ষ সন্মিলন "এডভান্টেজ আছাম ২.০" ৰ অন্তৰ্গত ডিব্ৰুগড় জিলাৰ অধীনত মুঠ ১৯১ গৰাকী পঞ্জীয়নভুক্ত বিনিয়োগকাৰীৰ অসম চৰকাৰৰ সৈতে বুজাবুজি চুক্তিত স্বাক্ষৰ কৰিবলৈ আগ্ৰহী। ডিব্ৰুগড় জিলাত বিনিয়োগকাৰীসকলে মুঠ ১৬৪০ কোটি টকা বিনিয়োগৰ ইচ্ছা প্ৰকাশ কৰিছে। আনহাতে, ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত "এডভান্টেজ আছাম ২.০" বিনিয়োগ আৰু আন্তঃগাথঁনিৰ বিস্তৰ সন্মিলনৰ উদ্বোধনী অনুষ্ঠানৰ জিলা পুথিভঁৰালৰ প্ৰেক্ষাগৃহত পোনপটীয়া সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হয়। ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিপুল কুমাৰ দাস, জিলা উন্নয়ন আয়ুক্ত অনুপ কুমাৰ ব্ৰহ্মা, অতিৰিক্ত জিলা আয়ুক্ত নন্দিতা বৰুৱা, ডিব্ৰুগড় জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত মুখ্য প্ৰবন্ধক সোণমণি চৌধুৰী প্ৰমুখ্যে জিলা প্ৰশাসন আৰু বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু পঞ্জীয়নভুক্ত আগ্ৰহী বিনিয়োগকাৰীয়ে এই পোনপটীয়া সম্প্ৰচাৰ প্ৰত্যক্ষ কৰে।

# গৌৰৱ গগৈৰ পত্নীৰ

সঞ্চালকপ্ৰধান মুন্না প্ৰসাদ গুপ্তাৰ নেতৃত্বত চাৰিজনীয়া এছআইটিও গঠন কৰা হৈছে। এই এছআইটিত আছে মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ আৰক্ষী অধীক্ষক ৰোজী কলিতা, সহকাৰী আৰক্ষী মহাপৰিদৰ্শক প্ৰণৱজ্যোতি গোস্বামী আৰু গুৱাহাটী আৰক্ষী আয়ুক্তালয়ৰ অতিৰিক্ত উপ-আয়ুক্ত মৈত্ৰেয়ী ডেকা।

# ৰাজ্যত আছে পাঁচ

পাঠ্যক্ৰমৰ পাঠদানত ক্ষতি, সময়মতে সকলো মাধ্যমৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিনামূলীয়া পাঠ্যপুথি বিতৰণ নকৰা, স্নাতক শিক্ষকৰ গ্ৰেড পে' ৮,৭০০ টকা ঘূৰাই দিয়া, টিউটৰসকলক শিক্ষকৰ মৰ্যাদা প্ৰদান, মুখ্যমন্ত্ৰীৰ বিশেষ বৃত্তি পৰীক্ষা বছৰি অনুষ্ঠিত কৰা, বিশেষ নিযুক্তি প্ৰক্ৰিয়াৰে নিযুক্ত শিক্ষকৰ প্ৰাপ্য আদায় দিয়া আদি সমস্যাবোৰৰ বিষয়ে আলোচনা কৰাৰ লগতে প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষকৰ পদ সৃষ্টিৰ ক্ষেত্ৰতো কেবিনেট সিদ্ধান্ত কাৰ্যকৰী কৰা সম্পৰ্কত বিশেষ শৈক্ষিক অভিবৰ্তনে পৰ্যালোচনা কৰে। তদুপৰি বিশেষ শৈক্ষিক অভিবৰ্তনত গৃহীত ৬টা প্ৰস্তাৱ অহা ১০ মাৰ্চত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উক্ত অনুষ্ঠানত উপস্থিত থকা সন্মিলিত শিক্ষক মঞ্চৰ প্ৰধান সম্পাদক উৎপল চক্ৰৱৰ্তী, সদৌ অসম মধ্য ইংৰাজী শিক্ষক সন্থাৰ সভাপতি দ্বীপেন শৰ্মা, প্ৰাক্তন শিক্ষক অমলেশ বৈশ্য, ডিমৰীয়া জ্যেষ্ঠ নাগৰিক মঞ্চৰ সম্পাদক ফণীচৰণ কাকতি, সোণাপুৰ শাখা সাহিত্য সভাৰ সম্পাদক শোভন ফুকন, এছএফআইৰ ৰাজ্যিক সম্পাদিকা সংগীতা দাসকে ধৰি অভিভাৱক সংগঠনৰ প্ৰতিনিধিসকল উপস্থিত থাকি প্ৰাথমিক বিদ্যালয়ৰ সমস্যাসমূহ সন্দৰ্ভত আলোকপাত কৰে। উল্লেখ্য যে বিশেষ শৈক্ষিক অভিবৰ্তনখনত সভাপতি মণ্ডলীৰ দায়িত্ব পালন কৰে গুৱাহাটী মহকুমা শিক্ষক সন্মিলনীৰ সভাপতি বিমল কলিতা আৰু প্ৰাক্তন সম্পাদক প্ৰদীপ কলিতাই।

# ষ্টাৰ্টআপ আন্দোলনে

পৰিদৰ্শন কৰিছিল। সন্মিলন তেওঁ প্ৰদৰ্শনীখনত জৈৱ ইন্ধন, জৈৱিকভাৱে প্ৰস্তুত স্বাস্থ্য সম্বন্ধীয় আৰু খোৱা কাৰ্যত ব্যৱহৃত সামগ্ৰী, স্থানীয় যুৱ উদ্যোগীয়ে শামুকৰ পৰা আহৰিত মুকুতাৰ দ্বাৰা প্ৰস্তুত গহনা আদি প্ৰদৰ্শন কৰা প্ৰায় ২০০টা বীথিকা পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমত এতিয়া ষ্টাৰ্টআপৰ এক আন্দোলন আৰম্ভ হৈছে। আনকি অসমৰ যুৱ উদ্যমীয়ে নিৰ্মাণ কৰা ড্ৰোন সেনাবাহিনীৰ দ্বাৰাও ব্যৱহৃত হৈছে। এনেধৰণৰ উদ্যমে এখন উজ্জ্বল অসমৰ ভৱিষ্যৎ প্ৰতিফলিত কৰিছে বুলি মন্তব্য কৰি তেওঁ কয় যে এনে উদ্যোগীসকলে নিজকে সফলভাৱে প্ৰতিষ্ঠিত কৰাৰ উপৰি বহুজনক সংস্থাপনো দিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে এই প্ৰদৰ্শনীখনে বহু যুৱ উদ্যমীক অনুপ্ৰেৰণা যোগাবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীৰ এই পৰিদৰ্শনকালত মুখ্য সচিব ড° ৰবি কোটাসহ কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।

**MODEL FORM OF CHARTERED ACCOUNTS CERTIFICATE**

We have examined the books of accounts an record of **RONGILI BARTA** published from Fatashil Manpara, Guwahati-25 the period from **1st January 2024 to 31st December 2024** and have obtained all documentary evidences and explanations required by us, On examination of entries made in the financial books of accounts such as Cash Book, Bill Book, Paper, Accounts Agency Registered, Subscribers Register etc. together with supporting voucher we have come to conclusion that the average circulation of the publication per issue for the aforesaid period is **6,390** copies details of which is as under:-

A. Average net paid circulation per issue
   a. Direct subscribed copies :- 2,235
   b. Regular sale through agent And other per issue :- 3,380
B. Complimentary copies
   a. Advt. Voucher copies :- 230
   b. Staff and writer copies :- 420
   c. Exchange & other complimentary copies
      i. Office copies enclosing :-40
      ii. Unsold :-85
C. No. of issues brought out during the period :- 52
D. No. Of agents :- 30
   (Places and No. of copies dispatches District wise May be indicated with No. and date) :- Does not arise
E. Paper purchased and consumed per issue
   (Newspaper quota from utilized for publication and not for any other purposes) :- Does not arise
F. Paper purchased and utilized for publication of Newspaper/Journal/periodical and not for any other purposes) :- Newspaper

Further certified that the above is a true and correct picture of circulation of the publication to the best of our information and according to explanation given to us and as reflected by the books of accounts.

S. BOSE & CO. Regn No. 318102E CHARTERED ACCOUNTANTS

**CHARTERED ACCOUNTANT**

For S. BOSE & CO.
Chartered Accountants
Somesh Bose
SOMESH BOSE 10/02/2025
Sole-Proprietor
MRNo - 052806
UDIN: 25052806BMLEJU3590

# বাজপেয়ী ভৱনত আগন্তুক

দ্বিবেদী আৰু ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকতে জিলা সভাপতি আৰু মণ্ডল সভাপতিসকলক দিয়া হ'ল এলানি গুৰুত্বপূৰ্ণ নিৰ্দেশনাৱলী। নতুনকৈ দায়িত্ব লাভ কৰা ৩৯গৰাকী জিলা সভাপতি আৰু ৪৩৩গৰাকী মণ্ডল সভাপতিক অভিনন্দন জনোৱাৰ উদ্দেশ্যে আয়োজন কৰা এই বৈঠকতে ৰাজ্যিক নেতৃত্বৰ স্পষ্ট নিৰ্দেশ- আভ্যন্তৰীণ বিবাদ-বিসম্বাদ এতিয়াৰে পৰা দলত নচলিব। অভিযোগ-আপত্তি থাকিলে দলৰ শীৰ্ষ নেতৃত্বক অৱগত কৰক, কিন্তু কোনো বিষয় ৰাজহুৱা নকৰিব। সন্মুখত নিৰ্বাচন, গতিকে সকলোৱে ৰাইজৰ ওচৰলৈ যাব লাগিব। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই সভাপতিসকলক উদ্দেশ্যি ইয়াকো স্পষ্ট কৰক যে ন-বিজেপি-পুৰণি বিজেপি এইবোৰ শব্দ বাদ দিব লাগিব। দলীয় অনুশাসন মানি ঐক্যবদ্ধভাৱে দলক শক্তিশালী কৰিব লাগিব। প্ৰতিটো নিৰ্বাচনকে গুৰুত্বসহকাৰে ল'বলৈ আহ্বান জনাই তেওঁ ব্যক্তিগত স্বাৰ্থতকৈ দলীয় স্বাৰ্থক অগ্ৰাধিকাৰ দিয়াৰো আহ্বান। সমান্তৰালভাৱে দলীয় অনুশাসন ভংগ কৰা নেতাৰ বিৰুদ্ধে দলে কঠোৰ স্থিতি ল'ব বুলিও এই বৈঠকতে স্পষ্ট কৰি দিয়ে। এই বৈঠকত ভাষণ দি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে কংগ্ৰেছৰ দিনত অৱহেলিত আৰু পিছপৰি থকা সকলো লোককে সমাহিত কৰি আঁচনিৰ দ্বাৰা উপকৃত কৰাৰ বাবে নৱনিৰ্বাচিত জিলা আৰু মণ্ডল সভাপতিসকলে নিৰন্তৰ আৰু সচেতন প্ৰহৰী ৰূপে কাম কৰিব লাগিব। অসম আৰু অসমীয়াৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ বাবে অনাগত দিনত বিজেপি চৰকাৰৰ প্ৰয়োজন আছে। বিজেপি চৰকাৰ থকা বাবেই আজি অসমীয়া ভাষা ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি লাভ কৰিছে, চৰাইদেউ মৈদাম বিশ্বৰ মানচিত্ৰত জিলিকি উঠিছে। অসমৰ ইতিহাসত প্ৰাপ্তি আৰু স্বৰ্ণীল ভৱিষ্যতৰ দুৱাৰ মুকলিৰ বাটকটীয়া হৈ ৰ'ব এডভান্টেজ আছাম ২.০। এই বিনিয়োগ সন্মিলনৰ জৰিয়তে ৪.৯ৰ কোটি টকা বিনিয়োগ অসমলৈ অহাৰ পথ প্ৰশস্ত হ'ল। মুখ্যমন্ত্ৰী ড° শৰ্মাই তৃণমূল পৰ্যায়ত দলক শক্তিশালী কৰাৰ ক্ষেত্ৰত জিলা সভাপতি আৰু মণ্ডল সভাপতিসকলৰ ভূমিকাৰ কথা উল্লেখ কৰি সমাজত যাতে প্ৰতিগৰাকী সভাপতিয়ে এক স্বচ্ছ ভাবমূৰ্তি দাঙি ধৰিব পাৰে, তাৰ বাবে নিজকে প্ৰতিষ্ঠিত কৰাৰ বাবে আহ্বান জনায়। সভাপতিসকলক উদ্দেশ্যি ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই সমাগত পঞ্চায়ত নিৰ্বাচন, স্বায়ত্তশাসিত উন্নয়ন পৰিষদ নিৰ্বাচন, বিটিচি আৰু বিধানসভা নিৰ্বাচনত দলৰ সেনাপতি ৰূপে অৱতীৰ্ণ হ'বলৈ আহ্বান জনায়। তেওঁ কয় যে চাহ জনগোষ্ঠীৰ বিনন্দীয়া কৃষ্টি 'ঝুমইৰ বিনন্দিনী' প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দ্বাৰা শুভাৰম্ভৰ বৰ্ণিল অনুষ্ঠানটোৱে চাহ জনগোষ্ঠীৰ সংস্কৃতিক এক নতুন পৰিচয়েৰে মহীয়ান কৰিছে। ইয়াৰ বাবে ৰাজ্যিক বিজেপিয়ে মুখ্যমন্ত্ৰী ড° শৰ্মাক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। তদুপৰি মুখ্যমন্ত্ৰী ড° শৰ্মাৰ দূৰদৰ্শী চিন্তা আৰু বিশেষ উদ্যোগত অনুষ্ঠিত এডভান্টেজ আছাম ২.০ সন্মিলনে অসমক বিশ্ব মানচিত্ৰ তথা দেশৰ ঔদ্যোগিক ক্ষেত্ৰত বিশেষভাৱে পৰিচয় কৰাই দিলে। এই পদক্ষেপে স্পষ্ট কৰিছে যে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ দূৰদৰ্শী আৰু আধুনিক অসমৰ স্বপ্নদ্ৰষ্টা। এই বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বি এল সন্তোষ, ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক কামাখ্যা প্ৰসাদ তাছা, ৰাষ্ট্ৰীয় প্ৰভাৱী হৰিশ দ্বিবেদীয়েও ভাষণ দিয়ে। বৈঠকত বিশেষভাৱে উপস্থিত থাকে সদ্য বিদায়ী সভাপতি ভবেশ কলিতা, ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক জি আৰ ৰবীন্দ্ৰ ৰাজুকে ধৰি দলৰ কেইবাজনো শীৰ্ষ নেতা।

# এডভান্টেজ আছাম ২.০ৰ

আঁচনিসমূহ ক্ষিপ্ৰ ৰূপায়ণতো ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছিল মুখ্যমন্ত্ৰী ড° শৰ্মাই। পূৰ্বৰ বৈঠকৰ নিৰ্দেশ তথা পৰামৰ্শাৱলী পুনৰ বিশ্লেষণ কৰাৰ লগতে মুখ্যমন্ত্ৰী ড° শৰ্মাই এডভান্টেজ আছাম ২.০ৰ জৰিয়তে ৰাজ্য চৰকাৰে লাভ কৰা সফলতা তথা অৰ্থনৈতিক সম্ভাৱনাক বিশেষভাৱে সমষ্টিসমূহত প্ৰচাৰ তথা ৰাইজৰ ওচৰলৈ নিয়াৰ নিৰ্দেশ দিয়ে বিধায়ক-সাংসদসকলক। উল্লেখ্য যে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ বাবে অহা অক্টোবৰ মাহৰ পৰাই আৰম্ভ হ'ব দলীয় ৰাজনৈতিক কুচকাৱাজ। প্ৰতিটো সমষ্টিত বিজেপিয়ে কি ধৰণৰ ৰণকৌশল প্ৰস্তুত কৰিব তাক লৈ হ'ব বিশেষ পৰ্যালোচনা। সেয়েহে ছেপ্টেম্বৰ মাহৰ পূৰ্বে বিধায়কসকলক নিজ নিজ সমষ্টিৰ কাম সম্পূৰ্ণ কৰি অক্টোবৰৰ পৰা নিৰ্বাচনৰ লক্ষ্যৰে দলীয় কাম-কাজ কৰিব লাগিব বুলি বৈঠকত স্পষ্ট কৰি দিয়ে মুখ্যমন্ত্ৰী ড° শৰ্মাই। এডভান্টেজ আছাম ২.০ৰ লগতে 'ঝুমইৰ বিনন্দিনী' অনুষ্ঠানৰ জৰিয়তে চাহ বাগিচা অঞ্চলত বিজেপিয়ে লাভ কৰিব পৰা বিশেষ অগ্ৰগতি সন্দৰ্ভতো উজনিৰ বিধায়কসকলক কাম কৰিবলৈ আহ্বান জনায় মুখ্যমন্ত্ৰী ড° শৰ্মাই। ৰাজ্যিক বিজেপিৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি 'ঝুমইৰ বিনন্দিনী' অনুষ্ঠানৰ জৰিয়তে বিজেপিয়ে প্ৰতিখন চাহ বাগিচাত দলীয় শক্তি বৃদ্ধি কৰাৰ সুযোগ লাভ কৰিছে।

# ৰাণীত অনলাইন ট্ৰেডিংৰ

কোম্পানী সমূহৰ ৰম্যভূমিহে যেন দক্ষিণ কামৰূপৰ অঞ্চল। কোম্পানী সমূহৰ টাৰ্গেট সহজসৰল দুখীয়া মানুহৰ পৰা সহজলভ্য টকা ঘটাৰ প্ৰলোভনৰে লুণ্ঠন চলোৱা। বৰ্তমানলৈকে দক্ষিণ কামৰূপৰ বিভিন্ন অঞ্চলত অনলাইন মাৰ্কেটিঙ আৰু ট্ৰেডিংৰ নামত জনসাধাৰণক ৰাম ঠগন দিয়া হৈছে। মহানগৰীৰ সমীপৱৰ্তী ৰাণীত ট্ৰেডিং ৰ সৈতে জড়িত চিন্ময় দাসৰ বিৰুদ্ধে এজাহাৰ দাখিল ভুক্তভোগী সাধাৰণ ৰাইজৰ। ৰাণী অঞ্চলৰ স্থানীয় যুৱক অসম দাস নামৰ যুৱকে ৰাণী আৰক্ষী চকীত দাখিল কৰে এজাহাৰ। লগে লগে চিন্ময় দাস নামৰ যুৱকক আটক কৰে ৰাণী আৰক্ষীয়ে। প্ৰায় ৫০ কোটি টকা ট্ৰেডিংৰ নামত বহু লোকৰ পৰা সংগ্ৰহ কৰাৰ অভিযোগ ভুক্তভোগীৰ। উল্লেখ্য যে চিন্ময় দাসৰ অহা ৬ মাৰ্চত বিয়াৰ দিন আছিল। যোৱা নিশা আটক হোৱা চিন্ময় দাসক সম্প্ৰতি পলাশবাৰী আৰক্ষী চকীৰ সহযোগত জেইল হাজোতলৈ প্ৰেৰণ কৰা হয়।

ENGLISH NEWS SECTION

# Governor Releases Book 'Debodutor Sannidhya' in Guwahati




Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya today unveiled a book titled 'Debodutor Sannidhya' at a function held in Dr. Bani Kanta Kakati Auditorium in Guwahati. This book is an Assamese translation of 'On the Side of the Angels', a collection of short stories which was originally penned by Shri P.S. Shreedharan Pillai, the Governor of Goa. The book 'Debodutor Sannidhya' has been translated by Barnali Deka Borthakur. During the event, Governor Shri Acharya highlighted the importance of books, calling them "the best companions in life," and emphasized, "how reading is a gateway to experience the world's finest wisdom. There is perhaps no greater joy than reading," he remarked, underscoring the significant role good books play in shaping human life. Shri Acharya spoke highly of Governor Shri Pillai, who is not just a thinker and scholar but a sensitive and accomplished litterateur whose literary identity transcends his gubernatorial duties. He praised Shri Pillai's love of literature, noting that he has authored over 250 books, making his literary contributions exemplary. His vast knowledge across a wide range of subjects—politics, law, culture, history, society, and economics—adds to his prominence.

## US Consulate General calls on Assam Governor



Guwahati,RB News: The Consulate General of the US in Kolkata Ms. Kathy Giles Diaz, today gave a courtesy call to Assam Governor Shri Lakshman Prasad Acharya, at Raj Bhavan and talked on a range of issues including the state's economy, its tourism and the rich cultural heritage. Governor Shri Acharya drew attention of the Envoy to Assam's robust growth in tourism and other sectors. He also highlighted the joint efforts of the State government and the Government of India to create a conducive environment for foreign investments. The Governor acknowledging the envoy's presence in the Advantage Assam 2.0 event said that it reflected US and Assam's bonds of friendship and shared interests. During the discussion. The Governor, pointing out at the large people including students from North East travel to the US every year, requested the envoy for establishing an office of the U.S. Consulate in Guwahati. Moreover, the Governor also requested for the creation of a U.S. Information Service (USIS) Library in Guwahati. Ms. Kathy Giles Diaz spoke highly of Assam's natural resources and its skilled, energetic population. She also expressed the need for increased student exchange and academic programs between Assam and the U.S.

## Bhutan Agriculture Minister Calls on Assam Governor



Guwahati,RB News: A high-level delegation from Bhutan, led by the Minister of Agriculture and Livestock, Mr. Younten Phuntsho, along with 11 members, called on Assam Governor Shri Lakshman Prasad Acharya, at Raj Bhavan. During the meeting, Governor Shri Acharya spoke on the enduring bond shared by Assam and Bhutan, a relationship that has been nurtured over centuries through cultural, historical, and economic exchanges. He noted that both India and Bhutan share a deep admiration for each other's visionary leadership, which is exemplified by Prime Minister Shri Narendra Modi of India and Bhutan's Fifth and reigning King, Jigme Khesar Namgyel Wangchuck. The Governor also called for joint efforts to promote eco-tourism and conservation in the areas of mutual benefits. He also proposed enhancing spiritual tourism circuits as a way to enrich the Assam-Bhutan partnership. On education and skill development, Governor Shri Acharya pointed out the Assam Government's initiative, where Chief Minister Dr. Himanta Biswa Sarma welcomed Bhutanese students with a provision of 5 reserved seats in government medical colleges.

## Delhi Capitals defeated Mumbai Indians by nine wickets



RB News: Delhi Capitals defeated Mumbai Indians by nine wickets in their WPL 2025 match on Friday, securing their second win over them in the tournament. Captain Meg Lanning's 60*(49) helped DC chase down the 124-run target with 33 balls to spare. With this win, DC have moved to the top of the points table, while MI are placed second.

## Jos Buttler resigns as England captain



RB News:Jos Buttler on Friday stepped down as England captain after his team failed to reach the semi-finals of Champions Trophy 2025 following defeats against Australia and Afghanistan. "It's the right decision for me. It is the right decision for the team," Buttler said in a press conference. Buttler will lead England for the last time against South Africa on Saturday.

## Australia reach Champions Trophy semi-finals



RB News: The Australia-Afghanistan Champions Trophy 2025 match has been abandoned due to rain, with both the teams sharing a point each. With this, Australia have reached the Champions Trophy semi-finals after 16 years. Meanwhile, Afghanistan stay alive in the tournament mathematically. Afghanistan were bowled out for 273. The match was interrupted by rain when Australia were 109/1 in 12.5 overs.


# ফাগুনৰ বা লাগি উন্মনা মন

নিৰ্মালি বৰা হাজৰীকা,
নগাঁও



"অ ' পচোৱা আনিছ কি
বতৰা
ফাগুন আছেহি যে বৈ"।।

ফাগুন মানেই উন্মাদনা। ফাগুন মানেই মদাৰৰ ৰঙা। ফাগুন মানেই মন প্ৰাণ উন্মনা কৰা এজাক পচোঁৱা। ধূলিৰে ধূসৰিত কৰা পৃথিৱী। শিমলু, পলাশে উতলা কৰা ৰিঙা ৰিঙা মন। ফাগুন এটি কবিতা। ফাগুন অসমীয়া বৰ্ষচক্ৰৰ একাদশ মাহ। সকলো মাহৰে এক নিজা বৈশিষ্ট্য থকাৰ দৰে ফাগুন মাহৰ আছে সুকীয়া বৈশিষ্ট্য। লাহে লাহে শীতে মেলানি মাগে। গগনচুম্বী লঠঙা শিমলুৰ ডালে ডালে তেজৰঙা ফুল ফুলি ফাগুন অহাৰ বাতৰি দিয়ে। নীলা আকাশত সেন্দুৰীয়া শিমলোৱে ৰং চটিয়াই। সৰাপাত বোৱে সোৱঁৰাই সকলো আৰম্ভণীৰ সদায় শেষ আছে। ফাগুনে সিচেঁ সৃষ্টিৰ বীজ। শুকান পাত সৰি ন কুহিঁপাত আহে। ফাগুনে কবিৰ মনত সৃষ্টি কৰে কবিতাৰ। হেজাৰ গীতৰ সৃষ্টি ফাগুনক লৈ। এই ফাগুন মাহতেই ৰঙৰ উৎসৱ ফাকুৱা উদযাপন কৰা হয়। সকলোৱে ভেদ-ভাৱ পাহৰি মিলি -জুলি হোলি খেলি আনন্দত মতলীয়া হয়। মিচিং সম্প্ৰদায়ৰ প্ৰধান উৎসৱ "আলি - আই -লিগাং" ফাগুন মাহতেই পালন কৰা হয়। ফাগুনে দি যায় আগলি বতৰা বসন্তৰ। প্ৰতিশ্ৰুতি নতুনৰ।




অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড° উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286